## পঞ্চম অধ্যায়

# কোচ-ৰাজবংশী সাধুকথাত পৰিলক্ষিত ৰূপাঙ্গসমূহৰ পৰিৱেশমূলক তাৎপৰ্য বিচাৰ

লোক সংস্কৃতি অধ্যয়নৰ নব্যতাত্ত্বিক ধাৰণাসমূহে মূলতঃ লোক সাহিত্যৰ পাঠসমূহৰ পঠন আৰু বিশ্লেষণৰ নতুন দিশৰ সন্ধান দিছে। চহা জীৱনৰ অমূল্য সম্পদ স্বৰূপ এনে লোক সাহিত্যৰ পাঠ একোটাক মাত্র বিষয়বস্তুৰ বর্ণনাতে সীমাৰদ্ধ নাৰাখি পাঠৰ শৈলী, অন্তঃস্তৰীয় বিশ্লেষণ, পাঠৰ প্ৰকৃতি, অন্তর্নিহিত ৰূপাঙ্গ তথা পাঠত নিহিত থকা নৃতাত্ত্বিক, সমাজতাত্ত্বিক, সাংস্কৃতিক, ৰাজনৈতিক ইত্যাদি বিভিন্ন প্রসংগসমূহৰ অধ্যয়নে লোক সাহিত্যৰ বিশ্লেষণ আৰু অর্থবহতাৰ ব্যাপকতাৰ সূচনা কৰে। জাৰ্মান দেশৰ গ্ৰীমচ ভাতৃদ্বয়ে সৰ্ব প্ৰথমে লোক মুখে প্ৰচলিত হৈ থকা সাধুকথাসমূহ সংগ্ৰহ আৰু বিদ্যায়তনিক অধ্যয়ন তথা চিন্তা- চর্চাৰ বাট মুকলি কৰে। গ্ৰীমচ ভাতৃদ্বয়ে সংগ্ৰহ কৰা সাধুকথাসমূহে প্ৰথম প্ৰকাশ লাভ কৰে ১৮১২ চনৰ, ২০ ডিচেম্বৰত Kinder- und Hausemarchen শীৰ্ষক গ্ৰন্থৰূপে ।মানৱ জাতিৰ ইতিহাস, প্ৰব্ৰজন, বিৱৰ্তন, নৃ-গোষ্ঠীয় অধ্যয়ন আৰু পৰিৱৰ্তিত পৰিৱেশ আৰু পৰিঘটনাৰ সংগ্ৰহিত অভিজ্ঞতাৰ অধ্যয়নৰ ক্ষেত্ৰত সাধুকথাসমূহে বিশেষ গুৰুত্ব লাভ কৰা পৰিলক্ষিত হয়। সাধুকথাসমূহ হৈছে মানৱ প্ৰজাতিৰ বিৱৰ্তনৰ প্ৰতিটো স্তৰৰ সংগ্ৰহিত অভিজ্ঞতাৰ থূপ। সেয়ে সাধুকথাৰ যোগেদিয়ে কোনো এটা জাতি বা জনগোষ্ঠীৰ অতীত, বৰ্তমানৰ সাংস্কৃতিক তথা সামাজিক স্থিতিৰ কথা উমান পাব পাৰি। সাধুকথাসমূহত উপলব্ধ জুই, বাহন, খেতি-বাতি তথা ঘৰচীয়া জীৱ-জন্তুৰ প্ৰসংগই আমাক আদিপ্ৰস্তৰ বা মধ্যপ্ৰস্তৰ যুগৰ মানুহৰ জীয়াই থকাৰ অভিজ্ঞতাৰ নিদৰ্শন দাঙি ধৰে। পূৰ্বতে মানৱজাতিৰ প্ৰাকৃতিক দুৰ্যোগৰ দৰে পৰিঘটনাসমূহৰ বিষয়ে কোনো ধৰণৰ অভিজ্ঞতা নাছিল। এনে প্ৰাকৃতিক পৰিঘটনাসমূহৰপৰা ৰক্ষা পাবলৈ আৰু আত্মসন্তুষ্টিৰ বাবে আদিম মানৱজাতিৰ মাজত কিছুমান লোক বিশ্বাস, ৰীতি-নীতি, উৎসৱ পাৰ্বণ ইত্যাদি গঢ়লৈ উঠিছিল। বিৱৰ্তনৰ এই পৰিঘটনাসমূহ আছিল সাৰ্বজনীন। মানুহে সমাজ পাতি বসবাস কৰিবলৈ আৰম্ভ কৰাৰেপৰা আদিম অৱস্থাৰ সংগ্ৰহিত স্মৃতিসমূহে পিচলৈ লোকপাঠসমূহত আত্মপ্ৰকাশ কৰা দেখা গ'ল। এখন ঠাইৰ ভৌগোলিক অৱস্থান, ভিন্ন প্ৰাকৃতিক পৰিঘটনা, গছ-গছনি, জীৱ-জন্তুৰ লগত জড়িত লোক বিশ্বাস আদিয়ে লোকপাঠসমূহ গঢ় দিয়া এককসমূহৰ পৰিৱৰ্তন আনি দিয়া দেখা যায়। ৰপাঙ্গ (Motif) ৰ দৰে নব্য তত্ত্বই মূলতঃ লোকপাঠ বা সাধুকথা একোটাত সিঁচৰিত হৈ থকা সাৰ্বজনীন উপাদানসমূহৰ বিচাৰ, বিশ্লেষণৰ যোগেদি পৃথিৱীৰ বিভিন্ন জাতি জনগোষ্ঠীৰ বৈচিত্ৰময় সাংস্কৃতিক পৰিভাষা আৰু পৰিচয়ৰ মাজতো

একক সংহতি নিৰ্মাণৰ বাট অনুসন্ধান কৰে।

### ৫.১ প্ৰকাৰ আৰু ৰূপাঙ্গ (Type and Motif)

জাৰ্মান দেশৰ পিছতে সাধুকথাসমূহৰ এক ব্যাপক ৰূপত অধ্যয়ন কৰা পৰিলক্ষিত হয় ফিনলেণ্ডত। ১৮৩১ চনত ফিনলেণ্ডত প্ৰতিষ্ঠা লাভ কৰা 'ফিনিস লিটাৰেৰি চ'চাইটি'-এ সমগ্ৰ ফিনলেণ্ডৰ লোক সাংস্কৃতিক উপাদানসমূহ সংগ্ৰহৰ কাম আৰম্ভ কৰে; যাৰ মূখ্য পৃষ্ঠপোষক আছিল কাৰ্ল ক্ৰোন। তেওঁৰ নেতৃত্বতে বিশ্ববিদ্যালয়ৰ গৱেষকসকলৰ সহায়ত ফিনলেণ্ডতে মুঠ আঠ হাজাৰ সাধুকথা সংগ্ৰহ কৰা হয়। এন্টি আৰ্ণেই ফিনলেণ্ডৰ লগতে ইউৰোপৰ বিভিন্ন দেশৰ লোক সংস্কৃতিৰ উপাদানসমূহ সংগ্ৰহ আৰু তুলনামূলক পৰ্যালোচনাৰ দ্বাৰা লোক কথাৰ শ্ৰেণী (Type) নিৰ্ধাৰণ কৰি ১৯১০ চনত 'Verzeichnis der Marchentypen' শীৰ্ষক গ্ৰন্থখন প্ৰকাশ কৰে। তেওঁ সাধুকথাৰ সৰ্বমুঠ আঠ প্ৰকাৰৰ কথা উল্লেখ কৰিছিল। এন্টি আৰ্ণেৰ মৃত্যুৰ পিছত আমেৰিকান লোক সংস্কৃতিবিদ ষ্টিথ থম্পচনে আৰ্ণেৰ কিতাপখন দুবাৰকৈ পৰিমাৰ্জনা কৰে। পিছত কিতাপখন ইংৰাজীলৈ অনুবাদ কৰি ১৯২৮ চনত 'The Type of Folktale' নামে প্ৰকাশ কৰে। সাধুকথাৰ Type ৰ কথা আলোচনা কৰিবলৈ যাওঁতে আৰ্ণে ৰূপাঙ্গসমূহৰ কথাও আলোচনা কৰিছিল। পিছলৈ ষ্টিথ থম্পচনে বিষয়টোত একাণপতিয়াকৈ লাগি ১৯৩২ চনত 'Motif Index of Folk Literature' শীৰ্ষক কিতাপখন প্ৰকাশ কৰে। মূল কথাটো এয়াই যে, যদিও সাধুকথাৰ 'প্ৰকাৰ' আৰু 'ৰূপাঙ্গ' অধ্যয়ন দুয়োটা স্বতন্ত্ৰ বিষয়, তথাপি ৰূপাঙ্গ বিচাৰ কৰিবলৈ যাওঁতে বিষয়বস্তুৰ স্পষ্টতাৰ প্ৰতি লক্ষ্য ৰাখি স্বাভাৱিকভাৱে সাধুকথাৰ প্ৰকাৰ অধ্যয়ন কৰাটো প্ৰণিধানযোগ্য বুলি বিবেচিত হৈ আহিছে।

সাধুকথাৰ 'প্ৰকাৰ' (Type) ৰ সম্পৰ্কত ষ্টিথ থম্পচনে কৈছে যে এটা পৰম্পৰাগত সাধুকথা যাৰ এক স্বতন্ত্ৰ অস্তিত্ব আছে। ইয়াক সম্পূৰ্ণ এক আখ্যান হিচাপে অভিহিত কৰিব পাৰি তথা ই আন কাহিনীৰ ওপৰত অৰ্থৰ বাবে নিৰ্ভৰশীল নহয়। ইয়াক অন্য এটা সাধুকথাৰ সৈতে কোৱা হ'ব পাৰে, কিন্তু তাৰ পিছতো ই স্বতন্ত্ৰতাৰ প্ৰমাণ দিয়ে। ইয়াত এটাতকৈ অধিক ৰূপাঙ্গ থাকিব পাৰে। বেছিভাগ জীৱ-জন্তুৰ কাহিনী, কৌতুক আৰু উপাখ্যান হৈছে এটা ৰূপাঙ্গৰ প্ৰকাৰ। সাধাৰণ সাধুকথাবোৰ বহুতো ৰূপাঙ্গৰে গঠিত হয়।[১]

অৰ্থাৎ প্ৰকাৰ (Type) হৈছে সাধুকথা একোটাৰ স্বয়ংসম্পূৰ্ণ পৰিকাঠামো বা অস্তিত্ব, যাৰ এটাতকৈ অধিক ৰূপাঙ্গ থাকিব পাৰে। উদাহৰণ স্বৰূপে- জীৱ-জন্তুক লৈ ৰচিত সাধুসমূহ এটা 'প্ৰকাৰ' হ'ব পাৰে। ঠিক একেদৰে যাদুৰ সাধু, ধৰ্মীয় সাধু আৰু মূৰ্খ দৈত্যৰ সাধুবোৰক লৈ সৃষ্টি

হৈছে 'সাধাৰণ সাধু' (Ordinary Tales) ৰ প্ৰকাৰ। প্ৰতিটো 'প্ৰকাৰ'-এ পৃথক পৃথক ৰূপত সাধুকথাসমূহৰ ভিন্ন অস্তিত্বক প্ৰতিনিধিত্ব কৰে। ঠিক একেদৰে প্ৰতিটো প্ৰকাৰক সৰ্বোচ্চ ৯৯ সূচক সংখ্যাৰদ্বাৰা সূচিত কৰা হৈছে। আলোচনাৰ সুবিৰ্ধাথে তলত থম্পচনৰ 'The Types of the Folktale' শীৰ্ষক গ্ৰন্থখনত উপলব্ধ সাধুকথাৰ প্ৰকাৰ আৰু তাৰ সূচক সংখ্যাক দাঙি ধৰা হ'ল—

| সাধুকথাৰ প্ৰকাৰ | সূচক সংখ্যা |
|---|---|
| জীৱ-জন্তুৰ সাধু | ১-২৯৯ |
| সাধাৰণ সাধু | ৩০০-১১৯৯ |
| কৌতুক আৰু উপাখ্যান | ১২০০-১৯৯৯ |
| সূত্ৰমূলক সাধু | ২০০০-২৩৯৯ |
| অশ্ৰেণীৱদ্ধ সাধু | ২৪০০-২৪৯৯ |

কুৰি শতিকাৰ আৰম্ভণিতে এন্টি আৰ্ণে সাধুকথাৰ প্ৰকাৰৰ কথা ক'বলৈ গৈ ৰূপাঙ্গসমূহৰ কথা আলোচনা কৰিছিল। পিছলৈ থম্পচনৰ অধ্যয়নে সাধুকথাৰ ৰূপাঙ্গ অধ্যয়নক এক বিশেষ মাত্ৰা প্ৰদান কৰে। থম্পচনে সাধুকথাৰ ৰূপাঙ্গৰ ক্ষেত্ৰত কৈছে যে এটা ৰূপাঙ্গ হৈছে সাধুকথা একোটাৰ ক্ষুদ্ৰতম উপাদান, যিয়ে ঐতিহ্য বহন কৰাৰ ক্ষমতা ৰাখে। এই ক্ষমতা পাবলৈ ইয়াত কিবা এটা অস্বাভাৱিক আৰু আকৰ্ষণীয় থাকিব লাগিব। বেছিভাগ ৰূপাঙ্গ তিনিটা শ্ৰেণীত পৰে। প্ৰথমটো হৈছে সাধুকথা এটাৰ অভিনেতা-দেৱতা, বা অস্বাভাৱিক প্ৰাণী, বা ডাইনী, দৈত্য বা পৰীৰ দৰে বিস্ময়কৰ প্ৰাণী, আনকি সকলোতকৈ সৰু শিশু বা নিষ্ঠুৰ মাহীমাকৰ দৰে প্ৰচলিত মানৱ চৰিত্ৰ হ'ব পাৰে। দ্বিতীয়তে কাৰ্যটোৰ পৃষ্ঠভূমিত কিছুমান বস্তু আছে, যিবোৰ ঠিক এনেধৰণৰ-যাদুকৰী বস্তু, অস্বাভাৱিক ৰীতি-নীতি, অদ্ভুত বিশ্বাস। তৃতীয়তে একক ঘটনা, যিবোৰ ৰূপাঙ্গৰ এক বিশাল সংখ্যাগৰিষ্ঠতাৰে গঠিত।[২]

থম্পচনৰ মন্তব্যই এইটো স্পষ্ট কৰি দিলে যে সাধুকথাৰ ৰূপঙ্গ হ'বলৈ হ'লে দুই ধৰণৰ বিশেষত্বৰ প্ৰয়োজন। ই ঐতিহ্য বা পৰম্পৰা বহন কৰিব পাৰিব লাগিব অৰ্থাৎ মানৱ বা প্ৰাকৃতিক পৰিৱেশৰ বিৱৰ্তনৰ যি সংশ্লিষ্ট ইতিহাস তাৰ অনুঘটনা বা পৰিঘটনাক প্ৰতিনিধিত্ব কৰি সংহতিৰ সামঞ্জস্যতাক দাঙি ধৰিব। ঠিক একেদৰে ই স্বাভাৱিকতে কিছু ব্যতিক্ৰম হ'ব। চৰাই কন্দা বা বাঘে গৰ্জন দিয়াটো তেনে স্বাভাৱিক, গতিকে ই ৰূপাঙ্গৰ বৈশিষ্ট্যখিনিক প্ৰতিনিধিত্ব নকৰে। কিন্তু চৰাই বা বাঘে মানুহৰ দৰে কথা কোৱাটো ৰূপাঙ্গ হিচাপে গণ্য কৰা হ'ব। থমচনে মূলতঃ তলত উল্লেখ কৰা তিনিটা প্ৰসঙ্গক কেন্দ্ৰ কৰি সাধুকথাৰ ৰূপাঙ্গসমূহ অৱলোকন কৰিব পাৰে বুলি মত প্ৰকাশ

কৰিছিল—

১. কৰ্তা বা নায়ক।

২. সাধুকথাত উপস্থাপিত মূল ঘটনাৰ লগত জড়িত পৃষ্ঠভূমিগত প্ৰসঙ্গসমূহ। উদাহৰণ স্বৰূপে- যাদুকৰী বস্তু, অস্বাভাৱিক ৰীতি-নীতি, অদ্ভুত বিশ্বাস বা কোনো নিৰ্দিষ্ট ভৌগোলিক অৱস্থান ইত্যাদি।

৩. সাধুকথাত ঘটিত ঘটনা বা কৰ্মসমূহ।

উদাহৰণ স্বৰূপে কোচ-ৰাজবংশী সাধুকথাসমূহ অধ্যয়ন কৰিলে দেখা যায় প্ৰায় ভাগতে সন্তান বা উত্তৰাধিকাৰী বাবে ৰজাই দুখী হৈ পৰে। কিন্তু ইয়াৰ প্ৰতিকাৰ হিচাপে প্ৰতিবাৰে ৰাণীসকলক 'ফল' খাবলৈ উপদেশ দিয়া হৈছে। তাৰ পিছতে ৰজাৰ সন্তান লাভৰ বাঞ্ছা পূৰণ হৈছে। 'ফলৰ পৰা সন্তান লাভ' ই স্বাভাৱিকতে এক ব্যতিক্ৰম আৰু অলৌকিক। লগতে ই মানৱ প্ৰজাতিৰ প্ৰজননৰ ঐতিহ্য বহন কৰিছে। গতিকে 'ফল খোৱাৰ ফলত সন্তান লাভ' ই সাধুকথাৰ এটা ৰূপাঙ্গ (Motif) লৈ ৰূপান্তৰিত হ'ব। থম্পচনে 'ৰূপাঙ্গ'ক লঘিষ্ঠ বৰ্ণনাৰ একক আৰু অবিভাজ্য বুলি কৈছে। আলেকজেণ্ডাৰ ভেচেলোভস্কিৰ দ্বাৰাও এই মতকে সমৰ্থন কৰা পৰিলক্ষিত হয়। তলত ষ্টিথ থম্পচনৰ 'Motif-Index of Folk-Literature' শীৰ্ষক গ্ৰন্থখনত উপলব্ধ ৰূপাঙ্গৰ তালিকাখন আলোচনাৰ সুবিধাৰ্থে দাঙি ধৰা হ'ল—

| ৰূপাঙ্গ | ৰূপাঙ্গৰ সূচক সংখ্যা |
|---|---|
| পুৰা কথা | A0-A2899 |
| জীৱ-জন্তু | B0-B899 |
| বিধি নিষেধ | C0-C999 |
| যাদু | D0-D2199 |
| মৃত | E0-E799 |
| বিস্ময়কৰ | F0-F1099 |
| দৈত্য | G0-G699 |
| পৰীক্ষা | H0-H1599 |
| জ্ঞানী আৰু মূৰ্খ | J0-J2799 |
| প্ৰবঞ্চনা | K0-K2399 |
| ভাগ্যৰ বিপৰীত | L0-L499 |
| ভৱিষ্যত নিৰ্ধাৰণ কৰা | M0-M499 |

| | |
|---|---|
| সুযোগ আৰু ভাগ্য | N0-N899 |
| সমাজ | P0-P799 |
| পুৰস্কাৰ আৰু শাস্তি | Q0-Q599 |
| বন্দী আৰু পলাতক | R0-R399 |
| অপৰিপক্ক নিষ্ঠুৰতা | S0-S499 |
| যৌনতা | T0-T699 |
| জীৱনৰ প্ৰকৃতি | U0-U299 |
| ধৰ্ম | V0-V599 |
| চৰিত্ৰৰ বৈশিষ্ট্য | W0-W299 |
| হাস্যৰস | X0-X1899 |
| বিবিধ গোটৰ ৰূপাঙ্গ | Z0-Z399 |

**৫.২ কোচ-ৰাজবংশী সাধুকথাৰ ৰূপাঙ্গ বিচাৰ —**

এক সুকীয়া ভাষিকশৈলী আৰু পৰম্পৰাগত স্বকীয় সাংস্কৃতিক বলয়ৰদ্বাৰা কোচ-ৰাজবংশী লোক আৰু লোক সংস্কৃতি ঐতিহ্যমণ্ডিত। লোকগীতকে আদি কৰি ভৌতিক সংস্কৃতি, লোক পৰিৱেশ্য কলা, স্থাপত্য ভাস্কৰ্য আদি সকলো দিশতে অতীতৰেপৰা কোচ-ৰাজবংশী লোকসকলৰ এক সুকীয়া পৰিচয় আছে। মৌখিক সাহিত্যৰ অন্যতম ভাগ সাধুকথাৰ ক্ষেত্ৰটো কোচ-ৰাজবংশীসকল অত্যন্ত চহকী। কৃষিপ্ৰধান জনগোষ্ঠী কোচ-ৰাজবংশীসকলৰ মাত্ৰ জিৰণিৰ সময়ছোৱাত মনোৰঞ্জৰ অৰ্থে সাধুকথাসমূহ কোৱা আৰু শুনাৰ পৰম্পৰা নাছিল, সমান্তৰালভাৱে কাম কৰোঁতে শ্ৰম লাঘৱৰ অৰ্থে এনে সাধুকথা কোৱা আৰু শুনাৰ প্ৰচলন আছিল। ‘সাধুকথা’ৰ বিপৰীতে এনে সাহিত্যসমূহ কোচ-ৰাজবংশী মানুহৰ মাজত ‘কেচ্চা’ নামেৰে বহুলভাৱে জনপ্ৰিয়। ঠিক একেদৰে ইংলেণ্ডত Folk tale বা Fairy Tale ৰ ৰূপত প্ৰতিষ্ঠিত। আকৌ French ত Conte populaire, জাৰ্মান দেশত Marchen, নৰৱে দেশত eventry, চুইজাৰলেণ্ডত saga আৰু ৰাছিয়াত sKazKa নামেৰে জনাজাত এনে লোকপাঠসমূহক থম্পচনে একে বুলি অভিহিত কৰা নাই। কিন্তু তেওঁ কৈছে যে জাৰ্মানসকলে Marchen শব্দটোৰ ব্যৱহাৰত সঠিকতা অৰ্জন কৰিবলৈ চেষ্টা কৰিছে। কিন্তু তেওঁলোকে কেৱল ব্যক্তিগত সংজ্ঞাবোৰত উপনীত হোৱাতহে সফলতা লাভ কৰা দেখা যায়।[৩] সম্ভৱত ক’ব পৰা যাব যে আক্ষৰিক নিৰপেক্ষতাৰ বাবে বিভিন্ন

দেশত প্ৰচলিত এনে লোকপাঠসমূহ একক অৱস্থিতিৰ বিপৰীতে সমগোত্ৰীয় (Homogeneous) হৈ উঠিছে। 'কেচ্চা'ৰ সঠিক সংজ্ঞা নিৰ্ধাৰণৰ ক্ষেত্ৰটো নিশ্চিত ৰূপত এনেধৰণৰ কাৰিকৰীগত সমস্যা দেখা দিয়াটো স্বাভাৱিক। কিন্তু পৃথিৱী বা মানৱজাতিৰ বিৱৰ্তনৰ পৰিঘটনা বা ঢাপসমূহ মূলতঃ একে, সেইহেতু পৃথিৱীৰ প্ৰায় সংখ্যক ৰূপাঙ্গৰ অৱস্থান একে আৰু সামঞ্জস্যমূলক।

ৰূপাঙ্গসমূহৰ অধ্যয়নত লোকপাঠসমূহৰ গভীৰ অৰ্থ আৰু বাৰ্তা প্ৰতিফলন ঘটা দেখা যায়। এনে অধ্যয়নে আচৰণৰ পাঠ আৰু গভীৰ অন্তৰ্দৃষ্টিক তুলি ধৰে। যাৰ মাজেদি লোকপাঠটোৱে প্ৰতিনিধিত্ব কৰা ভাষা, জনসমষ্টি আৰু ভৌগোলিক স্থিতিৰ সামগ্ৰিক ঐতিহ্য প্ৰকাশ পোৱাৰ লগতে পৃথিৱীৰ অন্য ভাষাৰ লোকপাঠসমূহলৈ একে দৃষ্টি প্ৰয়োগৰদ্বাৰা পৰম্পৰাগত সামঞ্জস্যতাক তুলি ধৰা হয়। দেখা যায় যে প্ৰায়ভাগ লোকপাঠৰ পৰিকাঠামো ধাৰাবাহিকভাৱে প্ৰতিফলন ঘটা ৰপাঙ্গাৰদ্বাৰা গঠিত। এই ৰূপাঙ্গসমূহে জীৱ-জন্তু, সৃষ্টিৰ কথা, জন্ম, মৃত্যু, বিশ্বাসঘাটকতা, প্ৰতাৰণা, সহায়, ৰাক্ষস বা দানৱৰ ধাৰণা ইত্যাদি বিষয়সমূহক প্ৰতিনিধিত্ব কৰে। ৰূপাঙ্গসমূহৰ অধ্যয়নে সংশ্লিষ্ট লোকপাঠটোৰ কেন্দ্ৰীয় বিষয়বস্তুৰ ওচৰলৈ লৈ যায় আৰু যাৰ আধাৰত বিৱৰ্তন, সাংস্কৃতিক মূল্যবোধ আৰু পৰম্পৰাগত বিশ্বাসৰ দৰে দিশসমূহক মূল্যাংকন কৰা পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে 'নায়কৰ যাত্ৰা' শীৰ্ষক ৰূপাঙ্গত সততে দেখা যায় যে নায়কে কোনো এটা লক্ষ্যত উপনীত হ'বলৈ কন্টকময় বা বিপদসংকুল যাত্ৰা কৰে আৰু এই যাত্ৰাত নায়কে বিভিন্ন ধৰণৰ শাৰীৰিক, মানসিক বাধাৰ লগতে বুদ্ধিমত্তাৰ পৰিচয় দিবলগীয়া হয়। এনে ৰূপাঙ্গ বিশ্বৰ প্ৰায়ভাগ সাধুকথাতে পোৱা যায়। এই ৰূপাঙ্গৰ দ্বাৰা অধ্যৱসায়, সাহস আৰু দৃঢ়তাৰ প্ৰতিফলন হোৱা দেখা যায়। কোচ-ৰাজবংশী কেচ্চা 'শ্ৰীবাশ্ব ৰজাৰ কাহিনী' শীৰ্ষক সাধুত নায়কৰ এনে যাত্ৰা দেখা যায়। এই সাধুৰ মাজত শ্ৰীবাশ্ব ৰজাই নিজৰ ৰাজ্য পুনৰ উদ্ধাৰৰ বাবে অজ্ঞাত বাস খাটিবলগীয়া হয় আৰু এই অজ্ঞাতবাসৰ সময়ছোৱাত বিভিন্ন বাধাৰ সন্মুখীন হয় আৰু তাক নেওচি শ্ৰীবাশ্ব ৰজাই নিজৰ ৰাজ্য উদ্ধাৰ কৰে। ঠিক সমান্তৰালভাৱে 'ৰংফুল' শীৰ্ষক সাধুত 'ৰংফুল' বিচাৰি সাধুৰ নায়কে যাত্ৰা আৰম্ভ কৰে আৰু এই ৰোমাঞ্চকৰ যাত্ৰাত বিভিন্ন সংঘাত, ঘাট-প্ৰতিঘাত অতিক্ৰম কৰি নায়কে 'ৰংফুল' পাবলৈ সক্ষম হয়। উক্ত দুয়োটা সাধুত নায়কৰ গাত প্ৰতিফলন ঘটিছে বীৰত্ব আৰু বুদ্ধিমত্তাৰ। কোচ-ৰাজবংশী কেচ্চাত প্ৰাপ্ত এনে ৰূপাঙ্গই দৰাচলতে কোচ-ৰাজবংশী কেচ্চাৰ বিশ্বজনীনতাৰ প্ৰসঙ্গসমূহক দাঙি ধৰিছে। কোচ-ৰাজবংশী কেচ্চাত প্ৰাপ্ত ৰূপাঙ্গসমূহৰ সামগ্ৰিক আলোচনাৰ সুবিধাৰ্থে গৱেষণাৰ সমলৰূপে নিৰ্বাচিত চল্লিশটা কেচ্চাৰ ৰূপাঙ্গসমূহ ষ্টিথ থম্পচনৰ 'Motif-Index of Folk-Literature' শীৰ্ষক গ্ৰন্থৰ আধাৰত তালিকা এখন প্ৰস্তুত কৰা হ'ল।

| ক্রমিক নং | সাধুৰ নাম | ৰূপাঙ্গ | ৰূপাঙ্গৰ সূচক নং |
|---|---|---|---|
| ১ | সাত সতিনী | ফল ভক্ষণ আৰু সন্তান জন্ম | A1253.1 |
| | | সৰু ৰাণীৰ প্ৰতি বাকী ছয় ৰাণীৰ ঈৰ্ষা | T257.2 |
| | | সহ-পত্নীৰ প্ৰতি ঈৰ্ষা কৰি ধাইমাকক প্ৰলোভন | K1368 |
| | | ভিক্ষাৰীৰ উপদেশ | J152.2 |
| | | ৰাণীৰসকলৰ শাস্তি | Q210.1 |
| ২ | ৰজা আৰু মন্ত্ৰীৰ পুত্ৰ | ৰজাৰ পুত্ৰ চৰাইলৈ ৰূপান্তিৰত হোৱা | D151 |
| | | চৰাইয়ে কথা কোৱা | B211.3 |
| | | মন্ত্ৰীৰ পুত্ৰ ছাগলীলৈ ৰূপান্তৰিত হোৱা | D134.1 |
| | | অভিপ্ৰেত বিশ্বাস ঘাটকতাৰ শাস্তি | Q261.1 |
| ৩ | খৰিকটীয়াৰ জীয়েক | ৰজা (ৰাজকুমাৰ) এজনী নিম্ন বৰ্গীয় ছোৱালীৰ প্ৰেমত। | T91.6.2 |
| | | জীৱ-জন্তুৰদ্বাৰা মানুহৰ সন্তানক চোৱা-চিতা | B292 |
| | | দুষ্ট ৰাণীৰ শাস্তি | Q210.1 |
| | | জীৱ-জন্তুৱে কথা পতা | B210 |
| | | ধাইমাকক সহ-পত্নীৰ প্ৰতি ঈৰ্ষা কৰি প্ৰলোভন | K1368 |
| | | ৰাণীসকলৰ শাস্তি | Q210.1 |
| ৪ | শ্ৰীবাশ্ব ৰজাৰ কাহিনী | ভগৱানৰদ্বাৰা ৰজা অভিশপ্ত | M411.4.1 |
| | | ৰজাক সাধাৰণ মানুহৰ সহায় | N821 |
| | | ভগৱানৰদ্বাৰা নদী সৃষ্টি | A1.1 |
| | | ভগৱানৰ পুৰোহিত ৰূপ ধাৰণ কৰা | D630.4 |
| | | সোণ দিয়া গাই গৰু | B103 |
| | | সদাগৰক ৰাণীক অপহৰণ কৰি | Q213 |

| | | | |
|---|---|---|---|
| ৫ | কেশমতী কন্যা | উৰন্ত ঘোঁৰা | B41.2 |
| | | শাস্তি হিচাপে ৰাক্ষসক হত্যা | Q411 |
| | | ৰাজ্যৰ দুই তৃতীয়াংশ আৰু ৰাজকুমাৰীক পুৰস্কাৰ হিচাপে লাভ | Q112.0.4 |
| ৬ | ৰংফুল | মাটিত পোৱা যাদুকৰী বস্তু | D849.8 |
| | | ৰাজহাঁহ মানুহলৈ ৰূপান্তৰিত | D161.2 |
| | | যাদুৰ সহায়ত মানুহ ভস্ম হোৱা | D286 |
| | | যাদুৰ সামগ্ৰী উপহাৰ হিচাপে ৰাক্ষসকৰপৰা পোৱা | D812.4 |
| | | স্বৰ্গলৈ যাত্ৰা | F11 |
| | | যাদুৰ সামগ্ৰী-লোৰ লাঠি, ছালৰ জুৰি, খৰম, মোনা | D800 |
| | | যাদুৰদ্বাৰা ৰাক্ষসক হত্যা | D2060 |
| | | ৰাজ্যৰ দুই তৃতীয়াংশ আৰু ৰাজকুমাৰীক পুৰস্কাৰ হিচাপে লাভ | Q112.0.4 |
| ৭ | খৰিকটীয়া আৰু দুই পুত্ৰ | ৰাক্ষসৰ লগত যুঁজ | B11.11 |
| | | যাদুকৰী ফলৰদ্বাৰা মানুহৰ পুনৰ জীৱন লাভ | E106 |
| | | ৰাক্ষসীয়ে মানুহক প্ৰলোভিত কৰিবলৈ ধুনীয়া ছোৱালীৰ ৰূপ লোৱা | G303.3.1.12.2 |
| | | মৃত জীৱ-জন্তু পুনৰ জীয়াই উঠা | E3 |
| | | মানুহ শিললৈ পৰিৱৰ্তন হোৱা | D231 |
| | | হত্যাৰ আকাংক্ষাৰ বাবে শাস্তি | Q211.8 |
| ৮ | যাদুকৰী ৰাণী | ৰাণী নিম্ন ল'ৰাৰ প্ৰেমত | T91.6.4 |
| | | অৰ্ধ অংশৰ মানুহ | F525 |
| | | এখন ৰাজ্য বিল এখনলৈ পৰিৱৰ্তন হোৱা | D450 |
| | | মানুহক চয়তানৰ উপদেশ | G303.9.7 |
| | | ৰজাক প্ৰতাৰণা কৰাৰ বাবে ৰাণীক শাস্তি | Q236 |

| | | | |
|---|---|---|---|
| ৯ | জোঁক আৰু বেদেলাং সৃষ্টিৰ কাহিনী | ৰাক্ষসী ধুনীয়া ছোৱালীলৈ ৰূপান্তৰিত হৈ বুঢ়া বুঢ়ীক প্ৰলোভিত কৰা | G303.3.1.12.2 |
| | | ৰাক্ষসী ফললৈ ৰূপান্তৰিত | D211 |
| | | ফলৰপৰা মানুহৰ সৃষ্টি | A1253.1 |
| | | হাড়গিলা আৰু টিপচী চৰাইৰ বন্ধুত্ব | A2493 |
| | | সৃষ্টিকৰ্তা হিচাপে ভাতৃ | A15.2 |
| | | মৃত ব্যক্তিৰ পুনৰ জীৱন লাভ | E1 |
| | | মৃত জীৱ-জন্তুৰ পুনৰ জীৱন লাভ | E3 |
| ১০ | হস্তীৰ কন্যা | সতিনীৰ ঈৰ্ষা | T257.2 |
| | | সহায়ক হাতী | B443.3 |
| | | বামুনীৰ হাতীলৈ ৰূপান্তৰিত | D114.2 |
| ১১ | ভেক বামুণ আৰু টুনী | অপেশ্বৰীৰ পাপ কৰাৰ ফলত হোৱা দুৰ্যোগ | A1003 |
| | | সৃষ্টিকৰ্তা হিচাপে ভগৱান | A1.1 |
| ১২ | বামুণ-বামুণী আৰু ৰাক্ষসনী | ৰাক্ষসী ধুনীয়া ছোৱালী হৈ বামুণ বামুণীক প্ৰলোভন | G303.3.1.12.2 |
| | | মানুহ আৰু ৰাক্ষসীৰ বিবাহ | B11.12.7 |
| | | শিশুৰদ্বাৰা হত্যা | N271.6 |
| | | হত্যাৰ শাস্তি | Q211 |
| | | পুৰস্কাৰ হিচাপে অৰ্ধ ৰাজ্য আৰু ৰাণী লাভ | Q112.0.4 |
| ১৩ | উড়িৰ উড়াল | মানুহ আৰু জন্তুৰ যুদ্ধ | D615.4 |
| | | স্বৰ্গলৈ যাত্ৰা | F11 |
| | | স্বৰ্গত পুৰস্কাৰ | Q172.1 |
| | | লোভৰপৰা মৃত্যু | N339.2 |

| | | | |
|---|---|---|---|
| ১৪ | ঢ়োৰা সাপৰ বিষ নোহোৱা | মনসা দেৱীৰদ্বাৰা বিষ সৃষ্টি | A101.1 |
| | | অবাধ্য ঢ়োৰা সাপ | Q235 |
| ১৫ | আকাশখন ওখ হোৱা | অলৌকিক আৰু অসাধ্য | A15.1 |
| ১৬ | শামুকৰ জন্ম | ভগৱানৰদ্বাৰা সৃষ্টি | A101.1 |
| ১৭ | ধানৰ গছত চাউল হোৱা | পাপৰ শাস্তি | Q200 |
| ১৮ | গৰুড় চৰাই আৰু হাতী | গৰুড় চৰাইৰ হাতী ভক্ষণৰ ইচ্ছা | C841.2 |
| | | ফেঁচাই হাতীক বিপদৰপৰা উদ্ধাৰ কৰে | B461.2 |
| | | চৰাই আৰু হাতীয়ে কথা পতা | A1101.2.3 |
| | | ফেঁচা আৰু হাতীৰ বন্ধুত্ব | A2493.0.1 |
| | | ভগৱানৰদ্বাৰা সমস্যা সমাধান | J1664 |
| ১৯ | সৃষ্টিৰ কথা | সৃষ্টিকৰ্তা তিনিজন | A2.1 |
| ২০ | কেৰ্কেটুৱাৰ ছালৰ আঁচ সৃষ্টি | সহৃদয়তাৰ পুৰস্কাৰ | Q51 |
| ২১ | ভূমীশ্বৰৰ কাহিনী | ৰাজা ঠাকুৰৰ তিনি ভাই | P251.6.1 |
| | | অদৃশ্য ভগৱান | A102.9 |
| | | পাহাৰ পূজা | V1.6.1.1 |
| ২২ | এজন চিকাৰী আৰু চাৰি বন্ধু | ফান্দৰপৰা উদ্ধাৰৰ বাবে কৃতজ্ঞ জন্তু | B3641.1 |
| | | জীৱ-জন্তুৰ মাজত বন্ধুত্বৰ শক্তি | M246.1 |
| | | দক্ষ চিকাৰী | F679.5 |
| ২৩ | জলপৰি আৰু হৰিণ | দেৱীয়ে চিকাৰীৰপৰা জীৱ-জন্তুক ৰক্ষা কৰে | A189.12 |
| | | দেৱীক পূজা কৰা | V1.1 |

| | | | |
|---|---|---|---|
| ২৪ | যমৰজাৰ গৰখীয়া | দেৱতাৰদ্বাৰা অন্য জগতলৈ ব্যক্তিক লৈ যোৱা | F63 |
| | | দেৱতাৰ সহায়ক হিচাপে মানুহ | A189.1.1 |
| | | ইশ্বৰৰপৰা পোৱা উপদেশ | D1814.3 |
| | | দেৱতাৰপৰা লাভ কৰা যাদুকৰী বস্তু | D811 |
| | | যাদুকৰী গৰু | B184.2.1 |
| ২৫ | হীৰা আৰু হীৰাণী | নিন্দা কৰা শিশুটিক কঢ়িয়াই লৈ যায় ঈগলে | B522.4 |
| | | শিশুৰ পৰিচৰ্যকৰ ৰূপত চৰাই | B535.0.7 |
| | | কথা ক'ব পৰা চৰাই | B211.3 |
| | | শাহুৰেক আৰু বোৱাৰীয়েকৰ মাজত বেয়া সম্পৰ্ক | P262.1 |
| ২৬ | শগুণ আৰু বিধৱা মহিলা | কথা ক'ব পৰা চৰাই | B211.3 |
| | | যাদুৰ জ্ঞান থকা চৰাই | B122 |
| | | চৰাইৰদ্বাৰা বিধৱা মহিলাক যাদুকৰী শক্তি প্ৰদান | B505 |
| ২৭ | ঢেসে ফুলে | ব্ৰহ্মাৰদ্বাৰা জীৱৰ সৃষ্টি | A1.4 |
| | | গছ-গছনি পূজা | V1.7 |
| | | চতুৰ দাস | J1114.0.1 |
| ২৮ | সাপৰ এটা চকু আৰু কাণ নথকা | অপৰাধমূলক উদ্দেশ্যৰ শাস্তি | Q210.1 |
| | | সৰ্প দেৱতা | A132.1 |
| | | মানৱ ৰূপত দেৱতা | A125 |
| ২৯ | সাপৰ দুখন জিভা | লোভৰ বাবে শাস্তি | A2238 |
| | | মানৱ ৰূপত দেৱতা | A125 |

| | | | |
|---|---|---|---|
| ৩০ | দুই সখী | যাদুকৰী ফুল | D975 |
| | | দেৱী উপাসনা | V1.1 |
| | | ৰক্ষাকৰ্তাৰ ৰূপত দেৱী | A185.2 |
| ৩১ | সাইটল পূজাৰ ব্ৰত কথা | পৰিয়ালৰ সদস্যৰ মাজত অন্তৰ্নিহিত শত্ৰুতা | P201 |
| | | অৰণ্যত আশ্ৰয় | R321 |
| | | ৰক্ষাকৰ্তাৰ ৰূপত দেৱী | A185.2 |
| | | শাহু আৰু বোৱাৰীয়েকৰ মাজত বেয়া সম্পৰ্ক | P262.1 |
| | | অপৰাধমূলক উদ্দেশ্যৰ শাস্তি | Q210.1 |
| ৩২ | কড়া-কড়ি পূজাৰ কেচ্চা | নিষ্ঠুৰ দেউতা | S11 |
| | | নিৰ্দিষ্ট সময়ত ঘটা অলৌকিকতা | F900.1 |
| | | দেৱতাৰ সেৱাত অৱহেলা কৰাৰ শাস্তি | Q223 |
| ৩৩ | কেটেলেংৰ কেচ্চা | নদীৰ সৈতে বিয়া | T117.9 |
| ৩৪ | দেউসী আৰু ডিপলাই বিলৰ কাহিনী | যাদুবিদ্যাত পাৰ্গত দেউসী | D1711.8 |
| | | দেউসীক জন্তু হত্যাৰ শাস্তি | Q231 |
| | | যাদুৰদ্বাৰা চিকাৰ | D1068.1 |
| ৩৫ | বুঢ়া আৰু বাঘৰ ৰজা | কথা ক'ব পৰা বাঘ | B211.2.1 |
| | | বাঘ আৰু মানুহৰ শত্ৰুতা | A2494.10.1 |
| | | বাঘৰ পূজা | V1.8 |
| | | ভগৱানৰ ৰূপত বাঘ | A132.10 |

| | | | |
|---|---|---|---|
| ৩৬ | ধাৰ্মিক বামুণ | পাপ স্বীকাৰ কৰাৰ পুৰুস্কাৰ | Q36.1 |
| | | মানুহক বিপদজনক স্থানৰপৰা জন্তুৱে উদ্ধাৰ কৰা | B547 |
| | | শিশুৰ পৰিচৰ্যকাৰী ৰূপত বাঘিনী | B535.0.8 |
| ৩৭ | সাহসী ৰাজপুত্ৰ | ৰাজকুমাৰ চিকাৰলৈ যোৱা | H1222 |
| | | ৰাক্ষসৰ আত্মা গছত লুকাই থোৱা | E712.1 |
| | | ৰাজকুমাৰীক উদ্ধাৰ কৰিবলৈ ৰাক্ষসৰ সৈতে যুদ্ধ | B11.11.4 |
| | | ৰাজকুমাৰৰ বিবাহ | P18 |
| ৩৮ | শিলিখা বুঢ়া | চতুৰ ব্যক্তি | J1110 |
| | | যাদুকৰী ফল | D981 |
| | | বুঢ়া মানুহজনে ৰজাক যুদ্ধ জয়ৰ অভিযানত সহায় কৰে | H1233.1.2 |
| ৩৯ | মহাৰজা বিশ্ব সিংহৰ জন্ম | অলৌকিক জন্ম | T540 |
| ৪০ | বুঢ়া আৰু ভাটৌ চৰাই | চতুৰ ব্যক্তি | J1110 |
| | | মানুহ আৰু চৰাই | B50 |

উপৰোক্ত চল্লিশটা কোচ-ৰাজবংশী সাধুকথাৰ ৰূপাঙ্গ নিৰ্ণয়ত পুৰাকথা (A0-A2899), জীৱ-জন্তু (B0-B899), পুৰস্কাৰ আৰু শাস্তি (Q0-Q599) আৰু যাদু (D0-D219) ইত্যাদি ৰূপাঙ্গসমূহ সৰ্বাধিকভাৱে পোৱা গৈছে। 'পুৰস্কাৰ আৰু শাস্তি' ৰূপাঙ্গসমূহে কোচ-ৰাজবংশী লোক সমাজৰ সামাজিক অনুশাসনসমূহ যে কঠোৰ তাৰ ইংগিত বহন কৰিছে। 'যাদু' ৰূপাঙ্গসমূহৰ যোগেদি কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ লোক বিশ্বাস, অলৌকিক শক্তিৰ চৰ্চাৰ লগতে ভূত-প্ৰেত, মন্ত্ৰ, লোক দেৱতাৰ উপাসনা ইত্যাদি অনুসঙ্গিক বিষয়সমূহৰ সন্দৰ্ভত জানিব পাৰি। পুৰাকথাসমূহ মূলতঃ সৃষ্টিৰ লগত জড়িত। কোচ-ৰাজবংশী সাধুকথাত প্ৰাপ্ত 'পুৰাকথা'ৰ ৰূপাঙ্গসমূহত সততে আকাশ, নদী, শামুক, কাপোৰ, চাউল, ঈশ্বৰ সৃষ্টিৰ কাহিনীসমূহ বৰ্ণিত

হোৱা দেখা যায়। আনহাতে প্ৰাপ্ত 'জীৱ-জন্তু'ৰ ৰূপাঙ্গসমূহে প্ৰকৃতিৰ লগত কোচ-ৰাজবংশী লোকসকলৰ সহাৱস্থানৰ বিষয়টোক দাঙি ধৰিছে। এই জনগোষ্ঠীয় সাধুত জীৱ-জন্তুসমূহে মানুহক বিপদৰপৰা উদ্ধাৰ কৰিছে, লগতে মানুহ হাতী, চৰাই, মাছলৈ ৰূপান্তৰিত হৈছে। ইয়াৰ বাহিৰেও মানুহৰ লগত যুদ্ধ আৰু চিকাৰৰ সহযোগী হোৱা দেখা গৈছে জীৱ-জন্তুসমূহক। সামগ্ৰিকভাৱে প্ৰাপ্ত ৰূপাঙ্গসমূহে কোচ-ৰাজবংশী লোক সমাজৰ ৰীতি-নীতিকে আদি কৰি লোক বিশ্বাসসমূহৰ অনুশীলন তথা সমাজ মনস্তাত্বিক দৃষ্টিভংগীৰ সমসাময়িকভাৱে পাৰিপাৰ্শ্বিক পৰিকাঠামোৰ লগত সহাৱস্থানৰ দিশসমূহকো প্ৰতিনিধিত্ব কৰিছে।

প্ৰাপ্ত 'পুৰস্কাৰ আৰু শাস্তি (Q0-Q599)' ৰূপাঙ্গসমূহৰ ভিতৰত ঈৰ্ষা, অপহৰণ, ৰাক্ষস বা দানৱৰ অত্যাচাৰ আৰু হত্যাৰ বাবে শাস্তি দিয়া পৰিলক্ষিত হৈছে। এনে শাস্তিমূলক ৰূপাঙ্গসমূহে মূলত দুটা কথা স্পষ্ট কৰিছে- কোচ-ৰাজবংশী সমাজৰ অশুভ শক্তি আৰু তেনে শক্তিক পৰাস্ত কৰা কেচ্চাৰ নায়কৰ প্ৰসঙ্গ। ঠিক একেদৰে অনুশাসনৰ ভাৰসাম্যতাৰে কোচ-ৰাজবংশী সমাজখন প্ৰবাহমান সেই দিশটো সাধুকথাসমূহৰ মাজেদি প্ৰমাণিত হৈছে। কোচ-ৰাজবংশী কেচ্চাসমূহত শাস্তিৰ সমান্তৰালভাৱে ভাল কামৰ বাবে সাধুৰ নায়কক স্বীকৃতি বা পুৰস্কাৰ প্ৰদান কৰা পৰিলক্ষিত হৈছে। এনে পুৰস্কাৰসমূহ বেছিভাগেই ৰজাৰ ৰাজকুমাৰী আৰু অৰ্ধ ৰাজ্যৰ ৰূপত পোৱা গৈছে। এনে প্ৰসঙ্গতে মনকৰিবলগীয়া বিষয়সমূহৰ ভিতৰত অন্যতম হৈছে কোচ- ৰাজবংশীসকলৰ সমাজ ব্যৱস্থা অতীতত মাতৃতান্ত্ৰিক আছিল নেকি ? কিয়নো এই জনগোষ্ঠীৰ প্ৰায়ভাগ সাধুকথাতে নায়কে কাহিনীত আহি পৰা সাম্ভাব্য বিপৰ্যয়ক প্ৰতিহত কৰি ৰজাৰদ্বাৰা পুৰস্কাৰ হিচাপে ৰাজকন্যা আৰু অৰ্ধেক ৰাজ্য লাভ কৰিছে। অৰ্থাৎ বিবাহসূত্ৰে হওক বা অন্য কাৰণতেই হওক নায়কে নায়িকাৰ পিতৃৰ ৰাজ্যতে স্থায়ীভাৱে থাকি গৈছে। 'কেশমতী কন্যা' সাধুত দেখা যায় যে ৰাক্ষসকৰ হাতৰপৰা নায়িকাক উদ্ধাৰ কৰি নায়কে নায়িকাৰ লগতে অৰ্ধেক ৰাজ্য লাভ কৰি ৰজা হয়। একেদৰে 'ৰংফুল' সাধুতো স্বৰ্গৰপৰা বিস্ময়কৰ 'ৰংফুল' আনি ৰজাৰ ৰাণীক সন্তুষ্ট কৰাত, ৰজাই জীয়েকৰ লগত নায়কক বিয়া দিলে আৰু কথা অনুসৰি নিজ ৰাজ্যখনৰ অৰ্ধেক অংশ প্ৰদান কৰে। ইয়াৰ বাহিৰেও 'বুঢ়া আৰু ভাটৌ' সাধুটোত ঘৰখনৰ অৰ্থনৈতিক আৰু প্ৰশাসনিক ক্ষমতাৰ অধিকাৰী বুঢ়ীৰ হাতত থকা পৰিলক্ষিত হল। ফলত বুঢ়ীয়ে ঘৰতে পোহপাল দিয়া হাঁহ, কুকুৰা, ছাগলী ইত্যাদি বজাৰত বিক্ৰী কৰি লাভ কৰা আয় নিজৰ হাতত ৰাখিছে। আনফালে বুঢ়ীৰ অনুমতি অবিহনে হাঁহ, কুকুৰাবোৰ খাব নোপোৱাৰ বাবে বুঢ়াই বক্ৰপথ অৱলম্বন কৰা পৰিলক্ষিত হৈছে। সমান্তৰালভাৱে 'দুই সখী' শীৰ্ষক কেচ্চাৰ মাজতো নাৰীয়ে ব্যৱসায়ৰ দৰে কাম কৰি অৰ্থনৈতিক ব্যৱস্থাটো হাতৰ মুঠিত ৰাখিবলৈ সক্ষম হোৱা দেখা গৈছে।আমি এনে লোকপাঠসমূহৰপৰা এক অনুমানিক স্থিতি লব

পাৰোঁ যে পূৰ্বতে কোচ-ৰাজবংশীসকল মাতৃতান্ত্ৰিক আছিল। এনে অনুমানিক স্থিতিৰ পক্ষত সবল যুক্তিৰ উপস্থাপন কৰা দেখা যায় 'Matriarchal Societies, Studies on the Indigenous Cultures Across the Globe' শীৰ্ষক গ্ৰন্থখনত। হাইড গেটনাৰ এবেণ্ড্ৰথে উত্তৰ পূৰ ভাৰতবৰ্ষৰ খাচী পাহাৰৰ মাতৃতান্ত্ৰিক খাচী আৰু গাৰোসকলৰ আলমত কৈছে যে মাতৃতান্ত্ৰিক বৈশিষ্ট্য প্ৰদৰ্শন কৰা আন লোকসকল হিমালয় আৰু পাটকাই পৰ্বতমালাৰ পাদদেশত বাস কৰে। এনে বৈশিষ্ট্যবোৰ সমগ্ৰ হিমালয়ৰ লগতে উত্তৰ-পশ্চিম ভাৰতৰ মাজেদি কাশ্মীৰলৈ দেখা যায়। সমান্তৰালভাৱে মহান সিন্ধু নদীৰ পশ্চিমে পাকিস্তানৰ বেলুচিস্তানৰ পৰ্বতমালাত ব্ৰাহুই, ৰাভা আৰু পানী কোচৰ দৰে প্ৰাক-আৰ্যৰ লোক আছে। যিসকলে এতিয়াও মাতৃত্ববাদী সত্তাক ইছলামৰ ধৰ্মীয় অনুশাসনৰ মাজেদি পৰম্পৰাগত স্থিতিৰ অনুশীলন কৰে। লগতে তেখেতে সংযোগ কৰিছে যে এনে দূৰৱৰ্তী উপত্যকাত প্ৰাগ-ঐতিহাসিককালৰ এনে গোষ্ঠীসমূহে বিভিন্ন প্ৰকাৰৰ সাংস্কৃতিক আক্ৰমণ আৰু পুৰুষতান্ত্ৰিক হেঁচাৰ বিপৰীতে নিজকে সুৰক্ষা দিবলৈ সক্ষম হৈছিল।[৪] এতিয়া প্ৰশ্ন উদয় হ'ব পাৰে বেলুচিস্তানৰ পৰ্বতমালাৰ পানী কোচসকলৰ কথা কিয় অৱতাৰণা কৰা হ'ল? উক্ত পানী কোচসকল উত্তৰ পূৰ্বাঞ্চলৰ কোচসকলৰ দৰে একে নেকি? এনে প্ৰশ্নৰ পুংখানুপুংখভাৱে আলোচনা কৰা দেখা যায় শিবেন্দ্ৰ নাৰায়ণ কোচৰ 'কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ' শীৰ্ষক গ্ৰন্থখনত। তেওঁ প্ৰচলিত মতবাদ অনুসৰি তিব্বত-বৰ্মী ভাষা গোষ্ঠীৰ অন্তৰ্গত কোচসকল হিমালয়ৰ অতি দুৰ্গম পথ অতিক্ৰম কৰি ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰা কথাটোত প্ৰশ্নৰ অৱতাৰণা কৰিছে। তেখেতে সিন্ধু সভ্যতাত প্ৰাপ্ত নব্যপ্ৰস্তৰ যুগৰ মঙ্গোলীয় লাওখোলাৰ কথা উল্লেখ কৰিছে, কোচসকল কুৱাচ হিচাপে ভাৰতবৰ্ষৰ প্ৰাচীনতম গ্ৰন্থ ঋক্‌বেদত উল্লেখ আছে, যি ঋক্‌বেদৰ জন্ম স্থান হৈছে উত্তৰ-পশ্চিম দিশত আফগানিস্তান বেলুচিস্তানৰ পৰা পূৰত গঙ্গা-যমুনাৰ সঙ্গমস্থল।[৫] কোচ ভাষাত 'তি' মানে পানীক বুজায়। পশ্চিম ভাৰতবৰ্ষৰ 'তি' প্ৰত্যয় যুক্ত নদী- গোমাতি, মহিষমতি, দাচতি, শেতি, ৰাৱাতি ইত্যাদি[৬] যুক্তিৰদ্বাৰা প্ৰচলিত পণ্ডিতৰ মতবাদক খণ্ডন কৰি কোচসকল যে মাথোঁ উত্তৰ-পূৰ্ব ভাৰতবৰ্ষতে সীমাবদ্ধ নহয় বৰং সিন্ধু সভ্যতাত হাজাৰ বছৰ আগতে নিজৰ অৱস্থিতি আছিল তাক প্ৰমাণ কৰিছে। গতিকে বেলুচিস্তানৰ পৰ্বতমালাত পানী কোচৰ অৱস্থিতি একো আচহুৱা বিষয় নহয়। সেয়েহে প্ৰাপ্ত কোচ-ৰাজবংশী লোকপাঠসমূহে এইটো সম্ভাৱনাক সূচোৱাৰ সম্ভাৱনা নথকা নহয় যে হিমালয়ৰ পাদদেশত বসবাস কৰা কোচ বা বেলুচিস্তান পৰ্বতমালাৰ পানী কোচসমূহেই হওক, মূলতঃ এওঁলোকৰ প্ৰাচীন সমাজ ব্যৱস্থা মাতৃতান্ত্ৰিক আছিল।

কোচ-ৰাজবংশী সাধুকথাসমূহত যাদুবিদ্যাৰ পয়োভৰ লক্ষণীয়। এনে যাদুসমূহৰ মাজতে মানুহৰ মনোজগতৰ অন্ধবিশ্বাস, ভয় আৰু শক্তি আহৰণ তথা আনৰ ওপৰত প্ৰভূত্ব প্ৰতিষ্ঠাৰ

স্বাভাৱিক প্ৰবৃত্তি জড়িত হৈ থাকে। আলফ্ৰেড থম্পচনে যাদুক 'অন্ধবিশ্বাসৰ বিজ্ঞান বা অজ্ঞাতৰ দৰ্শন' বুলি কৈছে।[৬] 'যাদু' বিদ্যা এক অলৌকিক পৰিঘটনা, যিটো দৰাচলতে বাস্তৱসন্মত হ'ব নোৱাৰে। কিন্তু পৃথিৱী জুৰি মানুহৰ ইতিহাস চালে এনে যাদুসমূহে লোককথা, ধৰ্মীয় চিন্তাত দখল কৰি আহিছে এক বিশেষ স্থান। প্ৰাচীন সময়ছোৱাত হয়তো প্ৰাকৃতিক শক্তিসমূহৰ ওপৰত প্ৰভূত্ব অৰ্জন কৰিবলৈ এনেধৰণৰ অলৌকিক শক্তিক বিশ্বাস আৰু অনুশীলন আৰম্ভ হৈছিল। ঠিক একেদৰে অতীতত এনে কিছু জনসমষ্টি আছিল, যিবোৰে নিজৰ আৰাধ্য শক্তিক সন্তুষ্ট কৰিবলৈ নৰবলিৰ দৰে বৰ্বৰ সংস্কৃতিক জীয়াই ৰাখিছিল। কিন্তু সেই বৰ্বৰ জনসমষ্টিটোৱে অন্য এক জনসমষ্টিৰ কাৰণে হৈ উঠিছিল ভয় আৰু কৌতূহলৰ কাৰণ। এওঁলোকৰ দৃষ্টিত সেই সমষ্টিটো আছিল যাদুৰ দৰে অলৌকিক শক্তিৰ অধিকাৰী। গতিকে প্ৰাৰম্ভিক পৰ্যায়ত এনে কিছু পৰিঘটনাৰপৰা বিকাশ লাভ কৰিব ধৰা যাদুবিদ্যাই মানৱ তথা পশুৰ কল্যাণৰ বাবে চিকিৎসা, অপশক্তিৰ পৰা ৰক্ষা, পূজা অৰ্চনা ইত্যাদিৰ মাজেদি সংস্কৃতিৰ অংগ হৈ পৰিল। এনে বিষয়ৰ প্ৰমাণ স্বৰূপে প্ৰায় খ্ৰীষ্টপূৰ্ব দুই সহস্ৰাব্দ প্ৰাচীন মেছ'পটেমিয়া যাদুৰ প্ৰতীকাত্মক ৰূপত ছবি অংকন কৰি কুকুৰ আৰু সাপে কামুৰিলে কিদৰে উপসম পোৱা যায় তাৰ বিধান দিছিল। যাদুবিদ্যাৰ প্ৰয়োগ আৰু প্ৰয়োজনীয়তাৰ মাজতে মানৱজাতিৰ বিৱৰ্তন, বিশ্বাস আৰু নৰ-নাৰীৰ গভীৰ সম্পৰ্কসমূহৰ আভাস পোৱা যায়। কোচ-ৰাজবংশী লোকপাঠসমূহৰ মাজতো অতীতৰেপৰা এনে যাদুবিদ্যাৰ প্ৰাসংগিক কিছু কথা স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। 'যাদুকৰী ৰাণী' সাধুটোত ৰাণীয়ে নিজৰ পৰকীয়া প্ৰেমিকৰ বাবে নিজ স্বামীক অৰ্ধশিল অৰ্ধমানৱ আৰু স্বামীৰ ৰাজ্যক যাদুৰ সহায়ত এখন বিললৈ পৰিৱৰ্তন কৰে। দেখা গৈছে ৰাণীয়ে কেৱল নিজৰ ইচ্ছা আৰু আকাংক্ষাক পূৰণ কৰিবলৈয়ে যাদুৰ আশ্ৰয় লৈছে। 'ৰং ফুল' সাধুটোত যাদুৱে গোটেই কাহিনীৰ আন্তঃগাঁথনি নিৰ্মাণত প্ৰধান উপজীৱ্য হৈ পৰিছে। এটা চমৎকাৰী বস্তু হৈছে 'ৰংফুল', যাক কেন্দ্ৰ কৰি কাহিনীৰ নায়কে স্বৰ্গ গৈ পাইছে, ভস্ম হৈছে, ৰাক্ষসৰপৰা যাদুৰ সামগ্ৰী লাভ কৰিছে, ৰাক্ষস মামাক বধ কৰিছে আৰু ৰংফুল লৈ যাদুকৰী খৰমৰ সহায়ত উৰি উৰি পৃথিৱীলৈ নামি আহিছে। মূলতঃ এনে সাধুকথাৰ পৰা স্পষ্ট যে কাহিনীও পূৰণ কৰিব নোৱাৰা এটা মনোবাঞ্চা যাদুৰদ্বাৰা সম্ভৱপৰ হৈছে। স্বাভাৱিকতে মানুহৰ অৱচেতন মনে সীমাৱদ্ধতাসমূহক স্বীকাৰ কৰিব নোখোজে, এনে স্বীকাৰ কৰিব নোখোজা ক্ৰিয়া-কলাপৰ অভিব্যক্তিসমূহ প্ৰকাশ লাভ কৰিছে লোকপাঠসমূহত। সেয়েহে সাধুত মানুহ উৰিছে, নিজৰ ৰূপ সলনি কৰিছে, যাদুৰ সহায়ত ৰাজপ্ৰসাদ নিৰ্মাণ কৰিছে। ইয়াৰ বাহিৰেও মানুহে প্ৰতিশোধ পৰায়ণতাৰ বাবেও যাদুৰ সহায় লোৱা অতীতৰেপৰা পৰিলক্ষিত হৈছে। 'শ্ৰীবাশ্ব ৰজাৰ কাহিনী' শীৰ্ষক সাধুটোত শনি দেৱতাক ৰজাই শ্ৰেষ্ঠতাৰ স্বীকৃতি নিদিয়াৰ বাবেই ৰজা অভিশপ্ত হ'ব লগা হ'ল আৰু লাহে

লাহে তেওঁ ৰাজ্য থানবান হৈ পৰিল। ইমানতে ক্ষান্ত নাথাকি শনিয়ে বিভিন্ন সময়ত যাদুৰ সহায়ত ৰজাক আমনি দি ৰজা জীয়াই থকাটো দুৰ্বিষহ কৰি তুলিলে। যাদুৰ প্ৰয়োগৰ লগত সাধনা আৰু দৃশ্যমান বিষয়টোৰ বস্তুগত ৰূপান্তৰৰ দিশটো মানুহৰ অৱচেতন মনৰ সৈতে একেডাল সূতাৰে গাঁথা। সমান্তৰালভাৱে ই আন্তঃৰ্জাতিক আৰু সাৰ্বজনীন ধাৰণা। 'গুৰু আৰু শিষ্যৰ সাধু' শীৰ্ষক সাধুটোত দেখা গৈছে যে ৰজাই যাদুবিদ্যা লাভ কৰাৰ বাবে নিজ পুত্ৰৰ সৈতে মন্ত্ৰীৰ পুত্ৰক অন্য ৰাজ্যলৈ পঠিয়াই দিছে। ইয়াৰ জৰিয়তে এক উচ্চ মানদণ্ডৰ যাদুবিদ্যা শিক্ষাৰদ্বাৰা নিজ ৰাজ্যক ভৱিষ্যতে সুৰক্ষিত কৰি ৰখাৰ ৰজাৰ যি অভিব্যক্তি সেইটো স্পষ্টকৈ প্ৰকাশ পাইছে সাধুকথাটোৰ মাজেদি। একেদৰে কোচ-ৰাজবংশী সাধুকথাসমূহত এজন বৃদ্ধ ব্যক্তিয়ে সততে সাধুৰ নায়কক বিভিন্ন ঐন্দ্ৰিয়জালিক শক্তিৰদ্বাৰা সহায় কৰা পৰিলক্ষিত হয়। এই বৃদ্ধ ব্যক্তিজন সাধাৰণতে কোনো ব্ৰাহ্মণ, পুৰোহিত নতুবা এগৰাকী ভিক্ষাৰী হয়। এনে ব্যক্তিসকল সাধাৰণতে সমাজ জীৱনৰ বিভিন্ন দিশৰ অভিজ্ঞতাৰে পুষ্ট। সেইহেতুকে অভিজ্ঞতাৰ সহায়ত কৰা বহু নিৰ্ভুল সিদ্ধান্তক পিছলৈ কোনো যাদুকৰী শক্তিৰ অধিকাৰীৰ ৰূপত সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ ধৰে। 'চিলিখা বুঢ়া' শীৰ্ষক সাধুটোত ৰজাৰ আমন্ত্ৰণ মৰ্মে ৰাজ সভালৈ গৈ চিলিখা বুঢ়াৰ যি অথন্তৰ লাগিল তাৰ পৰাই অনুমান কৰিব পাৰোঁ। যি কি নহওক কোচ-ৰাজবংশী সাধুকথাৰ সামগ্ৰীক আলোচনাত এইটো স্পষ্ট যে অতীতত এই জনগোষ্ঠীৰ মাজতো যাদুৰ দৰে ঐন্দ্ৰিজালিক শক্তিৰ ওপৰত বিশ্বাস আৰু চৰ্চা অব্যাহত আছিল আৰু বৰ্তমানেও গ্ৰাম্য সমাজত ইয়াৰ প্ৰচলন দেখা যায়।

আলোচ্য চল্লিশটা সাধুকথাৰ ৰূপাঙ্গসমূহৰ ভিতৰত দ্বিতীয় সৰ্বাধিক ৰূপাঙ্গ আছিল 'জীৱ-জন্তুকেন্দ্ৰিক'। এই ৰূপাঙ্গসমূহক ষ্টিথ থম্পচনৰ 'Motif-Index of Folk-Literature'ত B0-B899 সংখ্যাৰে সূচিত কৰা হৈছে। লোকপাঠসমূহত জীৱ-জন্তুকেন্দ্ৰিক ৰূপাঙ্গসমূহ বিভিন্ন ৰূপত প্ৰকাশ পোৱা দেখা যায়। সৰহ সংখ্যক সাধুতে জীৱ-জন্তুকেন্দ্ৰিক ৰূপাঙ্গসমূহত মানৱীয়ত্ব আৰোপ কৰা পৰিলক্ষিত হয়। চাবলৈ গ'লে ৰূপাঙ্গৰ ব্যৱহাৰিক দিশটো বহু পৰিমাণে ভৌগোলিক তাৰতম্যতা আৰু সাংস্কৃতিক পটভূমিৰ ওপৰত নিৰৰ্ভশীল। প্ৰায়োগিক দিশত পৰম্পৰাগত সংস্কৃতি মানুহৰ মনোজগতৰ অন্তৰ্নিহিত স্তৰত ক্ৰিয়া কৰা দেখা যায় আৰু যাৰ ৰূপান্তৰিত ৰূপ প্ৰতিফলিত হয় লোকপাঠসমূহৰ ৰূপাঙ্গত। লোকপাঠ একোটাত প্ৰতিফলিত জীৱ-জন্তুকেন্দ্ৰিক ৰূপাঙ্গসমূহে মূলতঃ ধৰ্মীয় তাৎপৰ্য, সাংস্কৃতিক তাৎপৰ্য বহন কৰাৰ সমান্তৰালভাৱে গভীৰ সমাজবোধ, নৈতিকতাবোধ ইত্যাদিৰ প্ৰসঙ্গসমূহক দাঙি ধৰা পৰিলক্ষিত হয়। কেতিয়াবা লোকপাঠসমূহত জন্তুৰ ৰূপাঙ্গসমূহ অশুভ পৰম্পৰা আৰু কেতিয়াবা সাহসৰ প্ৰতীক ৰূপত পোৱা গৈছে। দৰাচলতে এনে প্ৰসঙ্গৰদ্বাৰা সমাজৰ অনুশাসন, শাস্তি, নৈতিকতা ইত্যাদি দিশৰ সমান্তৰালভাৱে 'স্থানীয় নায়ক'ৰ

দৰে ধাৰণা জন্ম দিয়াৰ বিষয়সমূহ জড়িত হৈ আছে। এনে 'স্থানীয় নায়ক'ৰ ধাৰণাই লোকসমাজৰ হিতৰ চিন্তা কৰাৰ বাহিৰেও পৰম্পৰাগত সংস্কৃতিৰ প্ৰভুত্ব দাঙি ধৰে। উদাহৰণ স্বৰূপে কোচ-ৰাজবংশী কেচ্চা 'হস্তীৰ কন্যা' শীৰ্ষক সাধুত বামুণীক ৰক্ষা কৰি হাতীৰ জাকটোৱে নায়কৰ শাৰীলৈ উত্তৰণ ঘটোৱাৰ লগতে গৌৰীপুৰৰ 'হস্তী আৰু মানুহৰ' সম্পৰ্কৰ পৰম্পৰাগত সংস্কৃতিক প্ৰসাৰিত কৰিছে। কোচ-ৰাজবংশী সাধুকথাত 'জীৱ-জন্তু' কেন্দ্ৰিক সাধুকথাৰ বাহিৰেও অন্য শ্ৰেণীৰ সাধুৰ মাজতো যথেষ্ট পৰিমাণে জীৱ-জন্তুৰ ৰূপাঙ্গ প্ৰাপ্ত হৈছে। যি ৰূপাঙ্গসমূহত প্ৰতিফলিত হৈছে দেৱতাৰ ৰূপত জীৱ-জন্তু, বুধিয়ক, মানুহৰ সহায়ক, মাতৃত্বৰ সহৃদয়তা ইত্যাদিৰ প্ৰসঙ্গ। একেদৰে এই ৰূপাঙ্গসমূহৰ মাজত মানুহ আৰু পৰিৱেশৰ অন্তৰ্নিহিত সম্পৰ্কক বহন কৰা পৰিলক্ষিত হৈছে।

'খৰিকটীয়াৰ জীয়েক' শীৰ্ষক সাধুকথাৰ ৰূপাঙ্গ 'জীৱ-জন্তুৰদ্বাৰা মানুহৰ সন্তানক চোৰা-চিতা - B292' ৰূপাঙ্গটোত জীৱ-জন্তুৱো মানুহৰ দৰে বুজিব পৰা অন্তৰ্নিহিত শক্তি যে আছে তাৰ প্ৰতিফলন ঘটিছে, য'ত জীৱ-জন্তুৱে মানৱ শিশু এটাক বিপদৰপৰা উদ্ধাৰ কৰি ডাঙৰ দীঘল কৰিছে। লোকপাঠত প্ৰতিফলিত এনে প্ৰসঙ্গই দৰাচলতে পাৰিপাৰ্শ্বিক ভাৰসাম্যতাৰ সমান্তৰালভাৱে জীয়াই থকাৰ পৰিক্ৰমাত পাৰস্পৰিক সহায় সহযোগিতাৰ গভীৰ আন্তঃসমাজবোধ গঢ়ি তুলিছে। একেদৰে 'হীৰা আৰু হীৰাণী' শীৰ্ষক কোচ-ৰাজবংশী 'কেচ্চাত শিশুৰ পৰিচৰ্যকৰ ৰূপত চৰাই-B535.0.7', 'মানৱ সমাজত নিন্দিত হোৱা শিশুক চৰাইৰদ্বাৰা উদ্ধাৰ- B522.4' সূচক সংখ্যাই পাৰিপাৰ্শ্বিক মূল্যবোধৰ কথাই দাঙি ধৰিছে। 'A132.1- সৰ্প দেৱতা' ৰূপাঙ্গৰ সহায়ত জন্তুক উপাস্য দেৱতাৰ শাৰীলৈ উত্তৰণ ঘটোৱা দেখা গৈছে কোচ-ৰাজবংশী কেচ্চাসমূহত। ইতিমধ্যে ব্যক্ত কৰা হৈছে যে প্ৰাচীন কালত সংগঠিত ধৰ্মীয় ব্যৱস্থা প্ৰৱৰ্তনৰ আগতে পৃথিৱীৰ সকলো জনগোষ্ঠীয়ে জীৱবাদ বা প্ৰকৃতিৰ উপাসনাৰ দৰে বিৱৰ্তনৰ স্তৰৰ মাজেদি অতিবাহিত হ'ব লগাত পৰিছিল। কোচ-ৰাজবংশীসকলো তাৰ ব্যতিক্ৰম নাছিল, যাৰ বাবে পৰম্পৰাগত মুখ বাগৰি অহা লোককথাসমূহত সৰ্প পূজা, পাহাৰ পূজা তথা গছ-গছনিৰ দৰে প্ৰাকৃতিক উপাদানসমূহৰ পূজা অৰ্চনাৰ প্ৰসঙ্গ পোৱা যায়। গতিকে প্ৰাপ্ত ৰূপাঙ্গসমূহৰ এনে কথাই কোচ-ৰাজবংশী সাধুকথাসমূহৰ বিশ্বজনীন চৰিত্ৰক বহন কৰি আহিছে।

আনহাতেদি উল্লিখিত কোচ-ৰাজবংশী কেচ্চাসমূহৰ ভিতৰত সৰ্বাধিক ৰূপত প্ৰাপ্ত ৰূপাঙ্গসমূহ হৈছে পুৰাকথাৰ। এই পুৰাকথাসমূহ উৎপত্তি আৰু সৃষ্টিজনিত আখ্যানেৰে ভৰপূৰ হৈ আছে । মূলতঃ প্ৰকৃতি, মানুহ, জীৱ-জন্তু, নদ-নদীৰ উৎপত্তি, গ্ৰহ-নক্ষত্ৰ, দিন-ৰাতিৰ উদ্ভৱ, আচাৰ-নীতি, জন্ম-মৃত্যু, পুনৰ জন্ম ইত্যাদি সৃষ্টিজনিত ঘটনাসমূহ বৰ্ণিত হৈছে পুৰাকথাসমূহত। সাধাৰণতে পুৰাকথাসমূহ হৈছে দেৱ-দেৱী নিৰ্ৱৰ্ভশীল আৰু অলৌকিক। জনমানসৰ বিশ্বাসত যিহেতু দেৱ-

দেৱীসকল অলৌকিক শক্তিৰ অধিকাৰী গতিকে সৃষ্টিজনিত কামসমূহ তেখেতসকলৰ দ্বাৰাহে সম্ভৱ। সেইহেতু পুৰাকথাৰ নায়ক নায়িকাৰ চৰিত্ৰত সাধাৰণ মানুহৰ বিপৰীতে দেৱ-দেৱীসকলে স্থান পোৱা পৰিলক্ষিত হয়। পৃথিৱীৰ সকলো ধৰণৰ সৃষ্টিৰ আঁৰত যে প্ৰায় একেধৰণৰ বিশ্বাস বা ঘটনাই ক্ৰিয়া কৰি আছে তাৰ আভাস আমি পুৰাকথাসমূহৰ মাজেদি পাওঁ। কোচ-ৰাজবংশী সাধুকথাসমূহৰ মাজতো সৃষ্টিজনিত কাহিনীসমূহক কেন্দ্ৰ কৰি পুৰাকথাসমূহ অতীতৰেপৰা প্ৰচলিত হৈ আহিছে। সমান্তৰালভাৱে প্ৰাপ্ত পুৰাকথাকেন্দ্ৰিক ৰূপাঙ্গসমূহে বিশ্বৰ সৃষ্টিৰ সামঞ্জস্যপূৰ্ণ পৰিঘটনাসমূহৰ বিদ্যায়তনিক অধ্যয়নৰ খোৰাক যোগায়।

## ৫.৩ কোচ-ৰাজবংশী সাধুকথাত প্ৰাপ্ত ৰূপাঙ্গসমূহৰ পৰিৱেশমূলক তাৎপৰ্য

লোককথাত পৰিৱেশমূলক ৰূপাঙ্গসমূহ এক উল্লেখযোগ্য অংশ হিচাপে বিবেচিত হৈ আহিছে। বিশেষকৈ ষ্টিথ থমচনৰ 'Motif-Index of Folk-Literature' ৰ প্ৰকাশ আৰু কুৰি শতিকাৰ শেষৰফালে পৰিৱেশতান্ত্ৰিক চিন্তাধাৰাই সাহিত্য তথা লোক সাহিত্যকসমূহক নতুন দৃষ্টিভংগীৰে চাবলৈ আৰম্ভ কৰাৰপৰাই পৰিৱেশমূলক ৰূপাঙ্গসমূহৰ বিদ্যায়তনিক অধ্যয়নৰ গুৰুত্ব বৃদ্ধি পোৱা দেখা গৈছে। দৰাচলতে লোকপাঠসমূহত প্ৰকাশ পোৱা ৰূপাঙ্গসমূহৰ যোগেদি মানুহ আৰু প্ৰাকৃতিক জগতৰ মাজত থকা গভীৰ আন্তঃসংযোগৰ বিষয়টোৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হয়। কোনো এটা জাতি বা জনগোষ্ঠীৰ মাজত প্ৰচলিত লোককথা বা সাধুকথাসমূহৰ পৰিৱেশমূলক ৰূপাঙ্গসমূহ অধ্যয়ন কৰিবলৈ বিশেষকৈ লোককথা সৃষ্টিৰ ভৌগোলিক-সাংস্কৃতিক প্ৰেক্ষাপটটো অধ্যয়ন কৰাটো বিশেষভাৱে প্ৰয়োজনীয়। কিয়নো পৰম্পৰাগতভাৱে চলি অহা সাংস্কৃতিক পৰিভাষা আৰু সংশ্লিষ্ট ভৌগোলিক স্থানত প্ৰাপ্ত প্ৰাকৃতিক উপাদানসমূহে লোককথাৰ ৰূপাঙ্গ নিৰ্মাণত বিশেষ অৰিহণা যোগায়। কথাটো এইদৰে সৰল কৰিব পাৰি যে অসমীয়া সাধুকথাৰ মাজত 'ঔটেঙাৰ পৰা ধুনীয়া ছোৱালীৰ জন্ম' দৰে ৰূপাঙ্গসমূহে প্ৰকৃতি আৰু মানুহৰ সৃষ্টিগত সংযোগৰ বিষয়টো আলোকপাত কৰে। বিশ্বৰ প্ৰায়ভাগ সাধুকথাৰ মাজতে এনে ৰূপাঙ্গ পোৱা যায়। কিন্তু 'ঔটেঙা'ৰ ঠাইত অন্য দেশ বা স্থানত বিভিন্ন ফল হব পাৰে, যিটো সংশ্লিষ্ট ভৌগোলিক পৰিৱেশত উপলব্ধ হোৱা প্ৰাকৃতিক উপাদান আৰু জনজীৱনৰ পৰম্পৰাগত বিশ্বাসে দাবী কৰিব।

একেদৰে লোককথাৰ চৰিত্ৰ আৰু পৰিৱেশৰ লগত বিভিন্ন ৰূপাঙ্গ সৃষ্টিৰ অৱকাশ থাকে। কাৰণ লোককথাৰ ৰূপাঙ্গসমূহে যিদৰে মানুহ আৰু ভৌতিক পৰিৱেশৰ আন্তঃসম্পৰ্কৰ বিষয়টো দাঙি ধৰে, সমান্তৰালভাৱে লোককথাত প্ৰাপ্ত ৰূপাঙ্গৰদ্বাৰা কাহিনীৰ চৰিত্ৰই প্ৰকৃতিক সন্মান নে শোষণ কৰিছে তাৰ প্ৰতিচ্ছবি এখনো স্পষ্ট হৈ পৰে। গতিকে লোককথাৰ চৰিত্ৰৰ অভিপ্ৰায়ে নতুন

ৰূপাঙ্গৰ সমাহাৰ ঘটাব। কিন্তু প্ৰাপ্ত এনে ৰূপাঙ্গসমূহৰ বিশ্বজনীন চৰিত্ৰ অটুট থাকিব। ঠিক একেদৰে লোকপাঠৰ প্ৰাপ্ত ৰূপাঙ্গসমূহত পাৰিপাৰ্শ্বিক সচেতনতা আৰু বহনক্ষম দৃষ্টিভংগী দাঙি ধৰিব পাৰিছে নে নাই, এই বিষয়টো পৰিৱেশমূলক ৰূপাঙ্গৰ অন্যতম বিচাৰ্য বিষয় হ'ব। পৃথিৱীৰ বিভিন্ন জাতি, জনজাতিৰ মাজত বিৱৰ্তন আৰু ভৌগোলিক স্থিতি তথা বিভিন্নতাৰ বাবে পৰম্পৰাগত লোক বিশ্বাস আৰু থলুৱা পাৰিপাৰ্শ্বিক জ্ঞানৰ পাৰ্থক্য পৰিলক্ষিত হয়। এনে হোৱাৰ ফলতে সংস্কৃতিৰ নান্দনিক বৈশিষ্ট্যসমূহতো বিভিন্নতা দেখা পোৱা যায়। লোককথাত প্ৰাপ্ত ৰূপাঙ্গসমূহৰ পৰিৱেশমূলক তাৎপৰ্য অনুসন্ধান কৰিবলৈ যাওঁতে এনেধৰণৰ থলুৱা পৰম্পৰাগত জ্ঞান আৰু পৰিৱেশকেন্দ্ৰিক লোকবিশ্বাসক ৰূপাঙ্গসমূহে সাঙুৰিব পাৰিছে নে নাই, সেয়া ৰূপাঙ্গ বিচাৰ্যৰ লক্ষণীয় বিষয় হ'ব। সামগ্ৰিকভাৱে বিশ্লেষণৰ গোটেই বিষয়টোৱে মানুহ আৰু ভৌতিক পৰিৱেশৰ মাজত থকা আন্তঃসম্পৰ্কৰ দিশটোকে ফঁহিয়াই চাবলৈ যত্ন কৰিব।

ৰূপাঙ্গসসমূহে দৰাচলতে কোনো এটা বিষয়ক প্ৰতীকাত্মক ৰূপত নিদেৰ্শিত কৰাৰ সমান্তৰালভাৱে বিশ্বজনীন সামঞ্জস্যতাক আলোকপাত কৰে। বিশ্বৰ লোককথাসমূহৰ সাংস্কৃতিক প্ৰেক্ষাপট বিভিন্নতাৰ পিছতো  কিছুমান প্ৰাকৃতিক উপাদানে একেধৰণৰ লোকবিশ্বাস বা ধাৰণা জনমানসত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। যিয়ে মূলতঃ ৰূপাঙ্গসমূহক বিশ্বজনীনতা প্ৰদান কৰিছে। উদাহৰণস্বৰূপে পৃথিৱীৰ প্ৰায়ভাগ লোককথাতে 'পবিত্ৰ গছ' এই ৰূপাঙ্গটোৱে মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্কৰ বিষয়টোক প্ৰতিনিধিত্ব কৰাৰ সমান্তৰালভাৱে প্ৰকৃতিৰ সুৰক্ষাৰ বিষয়টো ওলাই পৰিছে। ঠিক একেদৰে নদীক জীৱনৰ প্ৰৱাহ আৰু সময়ৰ গতি, লোককথাত অৰণ্য সদায় ৰূপান্তৰৰ প্ৰতীক, য'ত লোককথাৰ চৰিত্ৰই আধ্যাত্মিক আৰু চাৰিত্ৰিক পৰিৱৰ্তন ঘটায়, লোককথাত পৰ্বত বা পাহাৰে সদায় আধ্যাত্মিক তাৎপৰ্য বহন কৰি আহিছে। কোচ-ৰাজবংশী সাধুকথাত সেয়েহে পাহাৰ পূজাৰ দৰে প্ৰসংগই স্থান লাভ কৰিছে। পাহাৰৰ ৰূপাঙ্গটোৱে মানুহে অতিক্ৰম কৰিবলগীয়া প্ৰত্যাহ্বান আৰু বাধাসমূহৰ সমান্তৰালভাৱে প্ৰকৃতিৰ শক্তি আৰু মহিমাকো প্ৰতিনিধিত্ব কৰিব পাৰে। লোককথাত 'ঋতু'-এ সদায় মানুহৰ জীৱন চক্ৰক প্ৰতিনিধিত্ব কৰি আহিছে। ই লোকজীৱনৰ সকলো বস্তুৰ অস্থায়ীত্ব আৰু পৰিৱৰ্তনক আঁকোৱালি লোৱাৰ প্ৰতীক। একেদৰে লোককথাত 'বতৰ' সদায় উৰ্বৰতা আৰু পৰিৱৰ্তনৰ প্ৰতীক। বতৰে লোককথাৰ চৰিত্ৰসমূহৰ আৱেগিক স্থিতিকো প্ৰতিনিধিত্ব কৰাৰ লগতে ভয়, আশা আৰু সংগ্ৰামৰ প্ৰতিফলন ঘটায়। পৰিৱেশমূলক ৰূপাঙ্গৰ এনে বিশ্বজনীন প্ৰসংগ কোচ-ৰাজবংশী সাধুকথাসমূহৰ মাজতো প্ৰতিফলন ঘটা দেখা যায়। দৰাচলতে কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাংস্কৃতিক পৰিকাঠামোটো নিবিড়ভাৱে প্ৰকৃতিৰ কাষ চপা। সেইহেতুকে বাঘপূজাকে আদিকৰি হুদু চৰাই, পাহাৰ পূজা, নদীৰ সৈতে মানুহৰ বিয়া, ফুল আৰু ফলৰ প্ৰতি

থকা লোকবিশ্বাস ইত্যাদি বিষয়বোৰে কোচ-ৰাজবংশী লোককথাত স্থান লাভ কৰিছে। এনেবোৰ পৰিৱেশকেন্দ্ৰিক প্ৰসংগৰদ্বাৰাই কোচ-ৰাজবংশী লোককথাত প্ৰাপ্ত ৰূপাঙ্গসমূহে বহন কৰিছে বিশ্বজনীন চৰিত্ৰ।

ইতিমধ্যে পূৰ্বৰ অধ্যায়সমূহত কোচ-ৰাজবংশী কেচ্চাসমূহৰ সামগ্ৰিক আলোচনাৰ লগতে মানুহ আৰু পৰিৱেশৰ মাজত থকা আন্তঃসম্পৰ্ক আৰু অন্তৰ্দৃষ্টিৰ বিষয়সমূহ বিশ্লেষণ কৰা হৈছে, য'ত গৱেষণাই ইয়াকে দাবী কৰিছে যে কোচ-ৰাজবংশী কেচ্চাসমূহত প্ৰতিফলিত সাংস্কৃতিক পৰিকাঠামোৱে মানুহ আৰু পৰিৱেশৰ নিবিড়তম সম্পৰ্কক দাঙি ধৰিছে। এই অধ্যায়ত কোচ-ৰাজবংশী সাধুকথাত প্ৰাপ্ত ৰূপাঙ্গসমূহে কিধৰণে পৰিৱেশমূলক সচেতনতা, পৰিৱেশ সংৰক্ষণ আৰু প্ৰাকৃতিক সম্পদসমূহৰ বহনক্ষম দিশটো দাঙি ধৰি মানুহ আৰু ভৌতিক পৰিৱেশৰ মাজত আন্তঃসম্পৰ্কৰ বিষয়টোক প্ৰতিনিধিত্ব কৰিছে তাক ফঁহিয়াই চাবলৈ যত্ন কৰা হ'ব। আলোচ্য চল্লিশটা সাধুকথাৰ ভিতৰত প্ৰায় চাব্বিশটা সাধুকথাত পৰিৱেশমূলক ৰূপাঙ্গ প্ৰাপ্ত হৈছে। তলত সেই ৰূপাঙ্গসমূহৰ সূচক সংখ্যা আৰু পৰিৱেশমূলক তাৎপৰ্য আলোচনাৰ সুবিধাৰ্থে দাঙি ধৰা হ'ল—

| ক্ৰমিক নং | সাধুৰ নাম | ৰূপাঙ্গ | ৰূপাঙ্গৰ সূচক নং | পৰিৱেশমূলক তাৎপৰ্য |
|---|---|---|---|---|
| ১ | সাত সতিনী | ফল ভক্ষণ আৰু সন্তান জন্ম | A1253.1 | মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক |
| | | সৰু ৰাণীৰ প্ৰতি বাকী ছয় ৰাণীৰ ঈৰ্ষা | T257.2 | পাৰিপাৰ্শ্বিক নৈতিকতাৰ স্খলন |
| | | ধাইমাকক সহ-পত্নীৰ প্ৰতি ঈৰ্ষা কৰি প্ৰলোভন | K1368 | |
| ২ | ৰজা আৰু মন্ত্ৰীৰ পুত্ৰ | ৰজাৰ পুত্ৰ চৰাইলৈ ৰূপান্তিৰত হোৱা | D151 | মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক |
| ৩ | খৰিকটীয়াৰ জীয়েক | জীৱ-জন্তুৰদ্বাৰা মানুহৰ সন্তানক চোৰা-চিতা | B292 | মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক |
| | | ধাইমাকক সহ-পত্নীৰ প্ৰতি ঈৰ্ষা কৰি প্ৰলোভন | K1368 | পাৰিপাৰ্শ্বিক নৈতিকতাৰ স্খলন |

| | | | | |
|---|---|---|---|---|
| ৪ | ৰংফুল | মাটিত পোৰা যাদুকৰী বস্তু (ৰংফুল) | D849.8 | মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক |
| | | ৰাজহাঁহ মানুহলৈ ৰূপান্তৰিত | D161.2 | |
| | | যাদুৰ সামগ্ৰী-লোৰ লাঠি, ছালৰ জুৰি, খৰম, মোনা | D800 | |
| ৫ | খৰিকটীয়া আৰু দুই পুত্ৰ | যাদুকৰী ফলৰদ্বাৰা মানুহৰ পুনৰ জীৱন লাভ | E106 | মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক |
| | | মানুহ শিললৈ পৰিৱৰ্তন হোৱা | D231 | |
| ৬ | যাদুকৰী ৰাণী | এখন ৰাজ্য বিল এখনলৈ পৰিৱৰ্তন হোৱা | D450 | মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক |
| | | অৰ্ধ অংশৰ মানুহ (অৰ্ধশিল অৰ্ধ মানুহ) | F525 | |
| | | মানুহক চয়তানৰ উপদেশ (দিনত এবাৰতকৈ বেছি মাছ মাৰিব নোকোৰাৰ উপদেশ) | G303.9.7 | পৰিৱেশ সংৰক্ষণ আৰু সচেতনতাৰ প্ৰসংগ |
| ৭ | জোক আৰু বেদেলাং সৃষ্টিৰ কাহিনী | ফলৰপৰা মানুহ সৃষ্টি | A1253.1 | মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক |
| | | হাড়গিলা আৰু টিপচী চৰাইৰ বন্ধুত্ব | A2493 | পাৰিপাৰ্শ্বিক নৈতিকতাবোধ |
| ৮ | হস্তীৰ কন্যা | সহায়ক হাতী | B443.3 | মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক |
| | | বামুনী হাতীলৈ ৰূপান্তৰিত হোৱা | D114.2 | |
| ৯ | ভেক বামুণ আৰু টুনী | অপেশ্বৰীৰ পাপ কৰাৰ ফলত হোৱা দুৰ্যোগ (তিল এটা ভৰিত লগাৰ পাপ) | A1003 | পাৰিপাৰ্শ্বিক নৈতিকতাবোধ আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰসংগ |
| ১০ | ধানৰ গছত চাউল হোৱা | পাপৰ শাস্তি | Q200 | পৰিৱেশৰ ওপৰত মানুহৰ অত্যাচাৰ |

| | | | | |
|---|---|---|---|---|
| ১১ | গৰুড় চৰাই আৰু হাতী | ফেঁচায়ে হাতীক বিপদৰপৰা উদ্ধাৰ কৰে | B461.2 | পাৰিপাৰ্শ্বিক নৈতিকতাবোধ |
| | | চৰাই আৰু হাতীয়ে কথা পতা | A1101.2.3 | |
| | | ফেঁচা আৰু হাতীৰ বন্ধুত্ব | A2493.0.1 | |
| ১২ | কেৰ্কেটুৰাৰ ছালৰ আঁচ সৃষ্টি | সহৃদয়তাৰ পুৰস্কাৰ | Q51 | পাৰিপাৰ্শ্বিক নৈতিকতাবোধ |
| ১৩ | ভূমীশ্বৰৰ কাহিনী | পাহাৰ পূজা | V1.6.1.1 | মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক |
| | | | | থলুৱা পাৰিপাৰ্শ্বিক জ্ঞান |
| ১৪ | এজন চিকাৰী আৰু চাৰি বন্ধু | ফান্দৰপৰা উদ্ধাৰৰ বাবে কৃতজ্ঞ জন্তু | B3641.1 | পাৰিপাৰ্শ্বিক নৈতিকতাবোধ |
| | | জীৱ-জন্তুৰ মাজত বন্ধুত্বৰ শক্তি | M246.1 | |
| ১৫ | যমৰজাৰ গৰখীয়া | ঈশ্বৰৰপৰা পোৱা উপদেশ (মৰতৰ প্ৰাণীক ক্ষতিসাধন নকৰা) | D1814.3 | পাৰিপাৰ্শ্বিক নৈতিকতাবোধ আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰসংগ |
| ১৬ | হীৰা আৰু হীৰাণী | নিন্দা কৰা শিশুটিক কঢ়িয়াই লৈ যায় ঈগলে | B522.4 | পাৰিপাৰ্শ্বিক নৈতিকতাবোধ |
| | | শিশুৰ পৰিচৰ্যকৰ ৰূপত চৰাই | B535.0.7 | |
| ১৭ | শগুণ আৰু বিধৱা মহিলা | চৰাইৰদ্বাৰা বিধৱা মহিলাক যাদুকৰী শক্তি প্ৰদান | B505 | পাৰিপাৰ্শ্বিক নৈতিকতাবোধ |
| ১৮ | ঢেসে ফুলে | গছ-গছনি পূজা | V1.7 | পৰিৱেশ আৰু মানুহৰ আন্তঃসম্পৰ্ক |
| | | | | পাৰিপাৰ্শ্বিক থলুৱা জ্ঞান |

| | | | | |
|---|---|---|---|---|
| ১৯ | দুই সখী | যাদুকৰী ফুল | D975 | পৰিৱেশ আৰু মানুহৰ আন্তঃসম্পৰ্ক |
| ২০ | সাইটল পূজাৰ ব্ৰত কথা | অৰণ্যত আশ্ৰয় | R321 | পৰিৱেশ আৰু মানুহৰ আন্তঃসম্পৰ্ক |
| ২১ | কেটেলেংৰ কেচ্চা | নদীৰ সৈতে বিয়া | T117.9 | পৰিৱেশ আৰু মানুহৰ আন্তঃসম্পৰ্ক |
| ২২ | দেউসী আৰু ডিপলাই বিলৰ কাহিনী | দেউসীক জন্তু হত্যাৰ শাস্তি | Q231 | মানুহৰ দ্বাৰা পৰিৱেশৰ ওপৰত অত্যাচাৰ |
| | | যাদুৰদ্বাৰা চিকাৰ | D1068.1 | |
| ২৩ | বুঢ়া আৰু বাঘৰ ৰজা | কথা ক'ব পৰা বাঘ | B211.2.1 | পৰিৱেশ আৰু মানুহৰ আন্তঃসম্পৰ্ক |
| | | বাঘ আৰু মানুহৰ শত্ৰুতা | A2494.10.1 | |
| | | বাঘৰ পূজা | V1.8 | |
| | | ভগৱানৰ ৰূপত বাঘ | A132.10 | |
| ২৪ | ধাৰ্মিক বামুণ | শিশুৰ পৰিচৰ্যকৰ ৰূপত বাঘিনী | B535.0.8 | পৰিৱেশ আৰু মানুহৰ আন্তঃসম্পৰ্ক |
| ২৫ | শিলিখা বুঢ়া | যাদুকৰী ফল | D981 | পৰিৱেশ আৰু মানুহৰ আন্তঃসম্পৰ্ক |
| | | | | পাৰিপাৰ্শ্বিক থলুৱা জ্ঞান |
| ২৬ | বুঢ়া আৰু ভাটৌ চৰাই | মানুহ আৰু চৰাই | B50 | পৰিৱেশ আৰু মানুহৰ আন্তঃসম্পৰ্ক |

উপৰোক্ত চাব্বিশটা কোচ-ৰাজবংশী সাধুকথাৰ প্ৰাপ্ত পৰিৱেশমূলক ৰূপাঙ্গসমূহৰ তাৎপৰ্য নিৰ্ধাৰণ কৰাৰ পিছত কেইবাটাও বিষয় স্পষ্ট হৈ পৰিল— পাৰিপাৰ্শ্বিক বহনক্ষমতা, পৰিৱেশ সচেতনতা আৰু সংৰক্ষণ, থলুৱা পাৰিপাৰ্শ্বিক জ্ঞান, পাৰিপাৰ্শ্বিক নৈতিকতাবোধ, প্ৰকৃতিৰ ওপৰত মানুহৰ অত্যাচাৰ তথা আচৰণ সংশোধনৰ প্ৰয়োজনীয়তা ইত্যাদি। পাৰিপাৰ্শ্বিক বহনক্ষম বিষয়টোৱে কেৱল প্ৰাকৃতিক পৰিৱেশৰ সম্পদৰাজিৰে বহনক্ষম বিষয়টো কোচ-ৰাজবংশী কেচ্চাত ফুটাই

তোলা নাই, সমান্তৰালভাৱে প্ৰকৃতিৰ প্ৰতি থকা ইতিবাচক চিন্তাৰ বহনক্ষম দৃষ্টিভংগীকো প্ৰতিনিধিত্ব কৰিছে। 'মানুহক চয়তানৰ উপদেশ- G303.9.7' শীৰ্ষক ৰূপাঙ্গটোত ৰাক্ষস এটাই মাছমৰীয়াক এখন বিলত দিনত এবাৰতকৈ বেছি মাছ মাৰিবলৈ বাধা প্ৰদান কৰিছে— যি উপদেশটোৱে মূলতঃ পাৰিপাৰ্শ্বিক ভাৰসাম্যতাৰ লগতে পৰিৱেশ সংৰক্ষণ আৰু সচেতনতাৰ প্ৰসঙ্গটো দাঙি ধৰি সামগ্ৰিকভাৱে পাৰিপাৰ্শ্বিক বহনক্ষম দিশটোক প্ৰতিনিধিত্ব কৰিছে। কোচ-ৰাজবংশী কেচ্চাসমূহত পৰিৱেশমূলক তাৎপৰ্য বহন কৰা অন্যতম ৰূপাঙ্গ হৈছে পাৰিপাৰ্শ্বিক আচৰণ। পাৰিপাৰ্শ্বিক আচৰণক দুটা দিশৰপৰা পৰ্যাবেক্ষণ কৰিব পাৰি— মানুহৰ আৰু মানুহক বাদ দি অন্যান্য জীৱ-জন্তুৰ আচৰণ। 'দেউসী আৰু দীপলাই বিলৰ কাহিনী' শীৰ্ষক সাধুত প্ৰকাশ পোৱা 'যাদুৰদ্বাৰা চিকাৰ- D1068.1' আৰু 'দেউসীক জন্তু হত্যাৰ শাস্তি- Q231' আদি ৰূপাঙ্গই প্ৰকৃতিৰ ওপৰত মানুহৰ অত্যাচাৰৰ বিষয়টোক দাঙি ধৰিছে। মানুহৰ এনে আচৰণত স্বাৰ্থপৰতা আৰু প্ৰভাৱ বিস্তাৰৰ প্ৰসঙ্গসমূহ স্পষ্ট। অৰ্থাৎ আজিৰ তাৰিখত আলোচ্য পাৰিপাৰ্শ্বিক ভাৰসাম্যহীনতাৰ মূলতে মানুহ বুলি লোকপাঠসমূহে দাবী কৰে। একে সময়তে মানুহৰ আচৰণৰ সংশোধনৰ কথা লোকপাঠসমূহে দোহাৰে। কিন্তু ইয়াৰ বিপৰীতে 'শিশুৰ পৰিচৰ্যকাৰী ৰূপত বাঘিনী- B535.0.8', 'শিশুৰ পৰিচৰ্যকাৰী ৰূপত চৰাই- B535.0.7', 'ফেঁচা আৰু হাতীৰ বন্ধুত্ব- A2493.0.1' ইত্যাদি ৰূপাঙ্গসমূহৰদ্বাৰা জীৱ-জন্তুসমূহৰ পাৰিপাৰ্শ্বিক নৈতিকতাবোধ আৰু পাৰস্পৰিক সহাৱস্থানৰ পৰিচয় পোৱা যায়। প্ৰকৃতি উপাসনা কৰা বিষয়টো মানুহ আৰু প্ৰকৃতিৰ আন্তঃসম্পৰ্কৰ অন্যতম দিশ। এনে দিশসমূহক প্ৰাপ্ত ৰূপাঙ্গসমূহত স্পষ্ট ৰূপত প্ৰতিফলন ঘটা দেখা যায়। 'বাঘ পূজা- V1.8', 'পাহাৰ পূজা- V1.6.1.1' ইত্যাদি ৰূপাঙ্গসমূহে দৰাচলতে কোচ-ৰাজবংশী লোকসকল যে প্ৰকৃতিৰ উপাসক আৰু পৰম্পৰাগতভাৱে এনে লোক বিশ্বাসৰ মাজেদিয়ে জীৱন প্ৰণালী চলাই লৈ গৈছে তাক দাঙি ধৰিছে। সমান্তৰালভাৱে আৰু দুটা বিষয় সুন্দৰভাৱে ফুটি উঠিছে-- এটা হৈছে পাৰিপাৰ্শ্বিক ভাৰসাম্যতা, আনটো কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ জীৱবাদী দৃষ্টিভংগী। প্ৰকৃতিৰ উপাসনাৰদ্বাৰাই বৃহৎ সংগঠিত ধৰ্মীয় ব্যৱস্থাপনাৰ বিপৰীতে কোচ-ৰাজবংশী জনগোষ্ঠীয় লোকসকলৰ যে নিজস্ব লোকধৰ্মীয় ব্যৱস্থা আছিল তাক প্ৰতিপন্ন কৰিছে। 'নদীৰ সৈতে বিয়া- V1.8' আৰু 'বামুণী হাতীলৈ ৰূপান্তৰ - D114.2' ৰদৰে ৰূপাঙ্গসমূহে মানুহ আৰু প্ৰাকৃতিক পৰিৱেশৰ যি আন্তঃসম্পৰ্ক তাক নান্দনিক প্ৰাসংগিকতাৰে দাঙি ধৰা পৰিলক্ষিত হৈছে। কোচ-ৰাজবংশী কেচ্চাত প্ৰাপ্ত নদীৰ সৈতে মানুহৰ বিয়া ৰূপাঙ্গৰ দ্বাৰা পাৰিপাৰ্শ্বিক ব্যৱস্থাপনাত নদী আৰু মানুহ যে অবিচ্ছেদ্য অংগ তাক প্ৰতিপন্ন কৰিছে, সমান্তৰালভাৱে মানুহ হাতীলৈ ৰূপান্তৰিত হোৱা বিষয়টোৱে বিৱৰ্তন আৰু সৃষ্টিৰ উৎপত্তিগত এককক প্ৰতিনিধিত্ব কৰা দেখা গৈছে।

পৰিৱেশতান্ত্রিক সমালোচনাই কেৱল ভৌতিক পৰিৱেশ তথা জীৱ-জন্তু আৰু মানৱজাতিৰ সম্পৰ্কক আলোচনা নকৰে সমান্তৰালভাৱে মানুহে মানুহক কিদৰে আচৰণ কৰিছে বা মানুহে জীয়াই থাকিবলৈ কি ধৰণৰ মানৱ সৃষ্ট পৰিৱেশ নিৰ্মাণ কৰিছে তাকো বিশ্লেষণৰ আওতাত সামৰি লয়। অৱধাৰিতভাৱে কোচ-ৰাজবংশী কেচ্চাসমূহত তেনে প্ৰসঙ্গ দেখা পোৱা যায়। পৰিৱেশমূলক সমালোচনাৰ আধাৰত অধ্যয়ন কৰাৰ পৰিক্ৰমাত আলোচিত সাধুকথাসমূহৰ ৰূপাঙ্গসমূহত অন্তৰ্নিহিত সামাজিক, নৈতিক, সাংস্কৃতিক আদি প্ৰসঙ্গসমূহ সমানেই গুৰুত্বপূৰ্ণ। 'পৰিয়ালৰ সদস্যৰ মাজত অন্তৰ্নিহিত শত্ৰুতা- P201', 'সৰু ৰাণীৰ প্ৰতি বাকী ছয় ৰাণীৰ ঈৰ্ষা- T257.2', 'ধাই মাকক সহ-পত্নীৰ প্ৰতি ঈৰ্ষা কৰি প্ৰলোভন- K1368' ইত্যাদি ৰূপাঙ্গসমূহৰদ্বাৰা দৰাচলতে মানুহে মানুহৰ প্ৰতি কৰা নেতিবাচক পাৰিপাৰ্শ্বিক চিন্তাধাৰাৰ প্ৰতিফলন ঘটিছে। অৰ্থাৎ পাৰিপাৰ্শ্বিক নৈতিকতাৰ স্খলন ঘটা দেখা গৈছে লোকপাঠসমূহৰ মানৱীয় চৰিত্ৰত। কেৱল নিজৰ হাবিয়াস পূৰণ কৰাৰ অৰ্থে কোচ-ৰাজবংশী জনগোষ্ঠীয় কেচ্চাৰ মানৱীয় চৰিত্ৰসমূহে ঈৰ্ষা আৰু প্ৰলোভনত লিপ্ত হৈছে। তাৎপৰ্যপূৰ্ণভাৱে কেচ্চাসমূহত আক্ৰান্ত কেন্দ্ৰীয় চৰিত্ৰসমূহে কেতিয়াবা লৈছেগৈ অৰণ্যত আশ্ৰয়। 'অৰণ্যত আশ্ৰয়-R321' শীৰ্ষক ৰূপাঙ্গৰদ্বাৰা দেখা গৈছে যে মানুহে মানুহৰদ্বাৰা প্ৰতাৰিত হোৱাৰ পিছত নিজক সুৰক্ষা দিবলৈ অৰণ্যত আশ্ৰয় লৈছে। অৰ্থাৎ মানুহৰ শেষ ভৰসা হৈ পৰিছে প্ৰকৃতি। এনে দিশৰপৰাও মানুহ আৰু প্ৰকৃতিৰ চিৰন্তন সম্পৰ্কৰ কথা আলোচনাৰ মাজলৈ আহিব।

কোচ-ৰাজবংশী কেচ্চাসমূহৰ মাজত এক বুজন সংখ্যক কেচ্চাত যাদু মন্ত্ৰ বা অলৌকিক ক্ৰিয়া-কাণ্ড ইতিমধ্যে পাই আহিছোঁ। দৰাচলতে জনজাতীয় কোচসকল কোচ-ৰাজবংশী পৰিচয়লৈ পৰিৱৰ্তনৰ মূল আধাৰ আছিল ধৰ্মীয় সংস্কাৰ। জীৱবাদী দৃষ্টিভংগীৰ সলনি পিছলৈ কোচ-ৰাজবংশী লোকসকলে শৈৱ বা শাক্ত পন্থী হৈ পৰে। এনে হোৱাৰ কাৰণে জীৱনৰ অধিক সময় এই জনগোষ্ঠীয় লোকসকল পিছলৈ ধৰ্মীয় বিশ্বাসৰ স্বাৰ্থত শৈৱ বা শাক্ত পন্থীৰ তন্ত্ৰ-মন্ত্ৰৰদ্বাৰা সাধিত পূজা অৰ্চনাত ব্যস্ত থাকিবলগীয়া হয়। ফলশ্ৰুতিত লোকপাঠসমূহতো এক বুজন পৰিমাণৰ যাদু মন্ত্ৰৰ প্ৰসঙ্গসমূহ প্ৰাপ্ত হ'বলৈ ধৰে। ৰূপাঙ্গসমূহত অলৌকিক ঘটনা দেখিবলৈ পোৱা যায়-- 'ফল ভক্ষণ আৰু সন্তান জন্ম- A1253.1', 'উৰন্ত ঘোঁৰা-B41.2' 'মাটিত পোৱা যাদুকৰী বস্তু(ৰং ফুল)-D849.8' ইত্যাদি। আক্ষৰিক অৰ্থত ফলৰপৰা সন্তান জন্ম হোৱা, উৰন্ত ঘোঁৰাৰদ্বাৰা শত্ৰু পক্ষক পৰাস্ত কৰা তথা ৰংফুলৰ দ্বাৰা সৌন্দৰ্যবৰ্ধনৰ বিষয়টোৱে প্ৰাকৃতিক শক্তিৰ পৰিকাঠামোৰ সৈতে সংযুক্ত হৈ আছে। এনে ক্ষেত্ৰত প্ৰকৃতি আৰু মানৱজাতিৰ আন্তঃসম্পৰ্কৰ প্ৰসঙ্গটো স্পষ্ট। প্ৰাকৃতিক শক্তিসমূহৰ ব্যৱহাৰৰ বিষয়টোত অভিজ্ঞতা জড়িত হৈ আছে। আনুসঙ্গিকভাৱে লোকবিশ্বাসৰ কথা কোৱা হয় যদিও লোকবিজ্ঞানৰ ধাৰণাটোক নুই কৰিব নোৱাৰি। গতিকে অভিজ্ঞতাৰ অৰ্জনৰ বিষয়টো সম্পূৰ্ণ

বিজ্ঞান আৰু তাৰ ভিত্তিতে প্ৰকৃতিৰ ক্ষমতা ব্যৱহাৰৰ উচিত জ্ঞানসমূহৰ গুৰুত্ব লোকপাঠসমূহৰ ৰূপাঙ্গই বহন কৰিছে। সমান্তৰালভাৱে সামৰি লৈছে মানুহ আৰু পাৰিপাৰ্শ্বিক আন্তঃসম্পৰ্কৰ প্ৰসঙ্গ।

সামগ্ৰিকভাৱে কোচ-ৰাজবংশী জনগোষ্ঠীয় কেচ্চাত প্ৰাপ্ত পৰিৱেশমূলক ৰূপাঙ্গসমূহে মূলতঃ মানুহ আৰু পাৰিপাৰ্শ্বিক পৰিৱেশৰ আন্তঃসম্পৰ্কক প্ৰতিনিধিত্ব কৰিছে। কোচ-ৰাজবংশী সাধুকথাত প্ৰাপ্ত পৰিৱেশমূলক ৰূপাঙ্গসমূহে বহনক্ষম দৃষ্টিভংগী, পৰিৱেশ সংৰক্ষণ আৰু সচেতনতা, পৰম্পৰাগত থলুৱা জ্ঞানৰ গুৰুত্ব আৰু অনুশীলন, প্ৰকৃতি উপাসনা, সামাজিক, নৈতিক, সাংস্কৃতিক আদি গুৰুত্বপূৰ্ণ বিষয়সমূহৰ গভীৰভাৱে পৰিৱেশমূলক তাৎপৰ্য বহন কৰিবলৈ সক্ষম হৈছে, য'ত মানুহ আৰু পাৰিপাৰ্শ্বিক পৰিৱেশৰ আন্তঃসম্পৰ্কক গভীৰভাৱে অনুধাৱন কৰিব পাৰি।

**প্ৰসঙ্গটীকা ঃ**

১. Stith Thompson.The Folktale, Studing the Folktale. পৃষ্ঠা- ৪১৫
২. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা- ৪১৫।
৩. Stith Thompson.The Folktale. The Marchen and Related Narrative Forms. পৃষ্ঠা- ৮
৪. Heide Goeltner Abendroth. Matriarchal Societies. Studies on the Indigenous cultural Across the Globe. The Outcasts : Adivasi and Sinti Roma. পৃষ্ঠা-৩৫৯
৫. শ্ৰীশিবন্দ্ৰে নাৰায়ণ কোচ। কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ। কোচসকল সিন্ধু সভ্যতাৰ নাগৰিক আছিল নে?। পৃষ্ঠা- ১১০।
৬. Alfred Thomson .Magic and Mystery Magic. পৃষ্ঠা- ৪